চান্দমামা

মে' ১৯৯৩



Ishq mera mazhab hai.
Rasna Mera Drink Hai.
Yesterday at my school drama, I was like Amitabh Bachchan as in 'Khuda Gawah.' And everyone clapped and applauded. And when I came home you know what Mummy asked? 'So little Ustaad, what do you want to drink?' You know what I said? 'Ishq mera mazhab hai, Rasna Mera Drink Hai.' And then I drank up the whole jug of pyaara Rasna...
IS:13019
ISI
TASTIER
Rasna
ORANGE
I Love You Rasna
More Taste — More Fun
Mudra: EAMR: 6641

GET OFF TO A FLYING START *with*

LION
PREMIER® HB PENCILS

Supersmooth for effortless writing. Micronized lead for unbreakable points. Grace the desks of executives and others with style.

LION
PINKY® PENCILS

Perfect classmates. Pretty & Practical. Colourful designs, strongly bonded lead for unbreakable points, give it an edge over the competition.



LION *Gee·flo*® BALLPENS
035 carbine 050 carborite

Tungsten carbide tips.
Made with Swiss technology.
Unbeatable points. Sharp. Smooth. Non-smudging. Race across the page. Choice of red, black and blue refills. Mini-marvels at a marvellous price.

ভাৰতী পুস্তকালয়

LION PENCILS LTD.
95, Parijat Marine Drive, Bombay 400 002.

BENSON & HEDGES WORLD CUP 1992
OFFICIAL LICENSEE OF THE WORLD CUP

National-766

চান্দমামা

*

মে' ১৯৯৩

এই * আছে

সংখ্যাত

*

নাগৰিক কৰ্তব্যৰ শিক্ষা	৭		পণ্ডিতৰ পতং	৩৭
দুখন নতুন দেশৰ জন্ম	৯		ভগৱান কেনে	৪১
আবেগ আৰু বাস্তৱ	১১		বীৰ হনুমান	৪৫
মায়া-মহল	১৭		আল্লাহৰ ছৱাল	৫৩
বাস্তৱ-অবাস্তৱ	২৫		সহনি-গুণৰ দাম	৫৪
চান্দমামা-ক্রোড়পত্র	৩৩		আপুনি আচৰি ধৰ্ম	৬০

*

আৰু 'বিচিত্র প্রকৃতিৰ বৈচিত্র্য' ইত্যাদি : ৬৩

মৰমৰ অকণিহঁত!
তোমালোকে বাৰু জনী
জ'কাৰক নচুৱাব পাৰাবানে?
হয়, পাৰা!
কৰেচ-প্ৰিট
পাৰাৰৰ সহায়ত।
দেখি ভাল লগা
আটকধুনীয়া!
পৰিষ্কাৰ আৰু লেঠা নাইকিয়া!
কৰেচ প্ৰিট গ্লু ষ্টিক'এৰে কাম
কৰাৰ আনন্দ লোৱা। অতিকে
সহজ, পৰিষ্কাৰ আৰু খৰটকীয়া।
পনীয়া গমৰ দৰে লেঠা নবঢ়ায়।
কৰেচ প্ৰিট গ্লু ষ্টিক আৰু ৰংচঙীয়া
কাগজেৰে ধুনীয়া ধুনীয়া বস্তু সাজাঁ। স্কুলৰ
কামৰ বাবে, আন শিল্পৰ বাবে, মা-দেউতা
আৰু বন্ধু-বান্ধৱক উপহাৰ দিবলৈও।
দুটা চাইজত পোৱা যায়:
18 গ্ৰাম আৰু 9 গ্ৰাম মুঠ
বিপণন:
কৰেচ
Pritt
SUPER
Glue
Stick
Kores
AKA/481/AS
বিনামূল্যে! জনী জ'কাৰ সজাৰ কৌশল: আজিয়েই লিখক; 1 টকাৰ টিকট লগোৱা নিজৰ ঠিকনা থকা লেফাফা এখনো লগতে দিয়ক। এই ঠিকনালৈ: কৰেচ (ইণ্ডিয়া) লিমিটেড, পোঃ বঃ নং 6558, ৱৰ্লি, বম্বে 400 018

পোলিঅ'প্লাছ

শিশুহঁতলৈ
ব্যাধিবিহীন মুক্তজীৱনৰ
সুস্পষ্ট আশ্বাস

কেতিয়া কিমান ছিটা দিব লাগিব

ছিটা কেতিয়াৰপৰা আৰম্ভ কৰিব	ছিটাৰ নাম	ৰোগৰ নাম	কিমান বাৰ দিব লাগিব
জন্মৰ লগে লগে	**বি ছি জি**	**যক্ষ্মা**	এবাৰ মাথোন
৬ সপ্তাহ	**পোলিঅ'**	**পোলিঅ'**	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৬ সপ্তাহ	**ডি পি টি**	**ডিপথেৰিয়া** **পাৰ্টুছিছ** (আজোৰা কাহ) **টেট্যানাছ** (ধনুষ্টংকাৰ)	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৯ মাহ	**মিজল জ**	সক আই	এবাৰ মাথোন

জন্মৰ বাৰ মাহৰ ভিতৰতে শিশুক সকলো ধৰণৰ ছিটা সম্পূৰ্ণ-কৈ দিব লাগিব।

গৰ্ভৱতীসকলে গৰ্ভধাৰণৰ শেষৰ ফালে দুবাৰ টেট্যানাছ (টি টি) ছিটা লোৱা আৱশ্যক। প্ৰথমবাৰ ছিটা লোৱাৰ এমাহৰ অন্তত দ্বিতীয়বাৰ ল'ব।

সুস্থ শিশু—জাতিৰ আশা আৰু গৌৰৱ

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

লাগে নাগৰিক কৰ্তব্যৰ শিক্ষা

এদিন সমগ্ৰ ফ্ৰান্সৰ লাখ লাখ স্কুলীয়া ল'ৰা ছোৱালীয়ে সিহঁতৰ স্কুলৰ ব্যাগত কিতাপ-পত্ৰৰ উপৰিও কিছুখিনিকৈ চাউল ব্যাগত ভৰাই আনিছিল। সেই দিনটোত এনেকৈ ৪,৩০০ টনেজ চাউল সংগৃহীত হৈছিল। এই চাউলখিনি আৰু লগতে নগদ ধন ছোমালিয়াৰ ক্ষুধাৰ্ত ল'ৰা-ছোৱালীহঁতলৈ পঠোৱা হৈছিল।

বিশ্বৰ সকলো দেশেই ছোমালিয়াৰ এনে অভূতপূৰ্ব বিপৰ্য্যয়ত সহায় কৰিবলৈ আগুৱাই আহিল। সংযুক্ত ৰাষ্ট্ৰসংঘই ছোমালিয়াৰ গৃহযুদ্ধত যুদ্ধমান দলবিলাকৰ সৈতে শান্তিৰ বাবে আলোচনা চলোৱাৰ উপৰিও ৰাষ্ট্ৰসংঘৰ শিশু নিধিৰপৰা ১০,০০০ টনেজ চাউল ছোমালিয়াৰ অভুক্ত শিশুহঁতৰ বাবে সংগ্ৰহ কৰিলে।

মানৱ-সম্পদ মন্ত্ৰী বেৰনাৰ্ড কোচাৰে মন্তব্য কৰিছিল : "সন্মিলিতভাবে কেনেকৈ দায়িত্ব কঢ়িয়াব লাগে, এই কামৰ যোগেদি ল'ৰা-ছোৱালীহঁতে শিকিলে।'

ফ্ৰান্সৰ ল'ৰা-ছোৱালীহঁতৰ এই দৃষ্টান্ত আমিও অনুসৰণ কৰিব পাৰোঁ। কিন্তু প্ৰশ্ন হ'ল— আমি আমাৰ ল'ৰা-ছোৱালীহঁতক নাগৰিক কৰ্তব্য-বোধৰ এই শিক্ষা দিছোঁনে? পৃথিৱীৰ দুৰ্ভগীয়া শিশুহঁতৰ বাবে সিহঁতৰো যে কৰ্তব্য তথা কৰণীয় আছে—সেই কথা আমি আমাৰ ল'ৰা-ছোৱালীবিলাকক শিকাইছোঁনে?

আমাৰ বিনম্ৰ আশা, এইবাৰৰ গৰমৰ বন্ধত এই বিষয়ে আমাৰ স্কুলীয়া ল'ৰা-ছোৱালীহঁতে কিবা 'কৰাৰ আৰু কোৱাৰ' তথা পৃথিৱীৰ দুৰ্গত শিশুহঁতৰ প্ৰতিসিহঁতৰ মৰমৰ চিনাকি আমি পাম।

বছৰ : ১৮   মে' ১৯৯৩   সংখ্যা : ২

খনে ৪·০০ টকা :: বছৰেকীয়া বৰঙনি ৪৮·০০ টকা





চান্দমামা

মাহৰ-পাছত মাহং ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপুৰ.

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

দুখন নতুন দেশৰ জন্ম

বিগত ৩১ ডিচেমবাৰ ১৯৯২ৰ মাজনিশা কেৱল চন ৯২ৰ বিদায়েই হোৱা নাছিল, বিদায় লৈছিল 'জেক'স্লোভাকিয়া' নামৰ ৰাষ্ট্ৰ, আৰু তাৰ ঠাইত জন্ম লৈছিল 'প্ৰাগ' আৰু 'ব্ৰাতিস্লাভা' নামৰ দুখন দেশ। সেই নতুন দেশ দুখন গঠিত হোৱাৰ বিছ দিনৰ ভিতৰত দুয়োখন দেশেই সংযুক্ত ৰাষ্ট্ৰসংঘৰ সদস্যপদ প্ৰাপ্ত হৈছিল। এতিয়া সংযুক্ত ৰাষ্ট্ৰসংঘৰ সদস্যসংখ্যা হ'ল ১৮০।

১৯১৮ চনত অষ্ট্ৰীয় সাম্ৰাজ্যৰ পতনৰ পাছত জেক'স্লোভাকিয়া নামৰ দেশখনৰ উদ্ভৱ হৈছিল। তেতিয়াৰ কালত অষ্ট্ৰিয়াৰ অধীনত থকা বোহেমিয়া, মোৰাভিয়া, ছাইলেশ্বিয়া, কথেনিয়া আদি দেশ সম্মিলিত হৈ গ্যাৰিগ মজাৰিক তথা এডৱাৰ্ড বেনেছৰ নেতৃত্বত জেক'স্লোভাকিয়াৰ উদ্ভৱ ঘটিছিল। ১৯৩৫ চনলৈকে ৰাষ্ট্ৰপতিৰ দায়িত্ব কঢ়িয়াইছিল গ্যাৰিগ মজাৰিকে আৰু পাছত বেনেছে।

ঠিক তেতিয়াই জাৰ্মানিত অভ্যুদয় ঘটিল আডল্‌ফ্ হিটলাৰৰ। হিটলাৰে জেক'স্লোভাকিয়ালৈ ঘূৰি চালে আৰু ১৯৩৮ চনত 'ছুদেতেন ল্যাণ্ড'ৰ সীমা অধিকাৰ কৰি জাৰ্মানিৰ অন্তৰ্ভুক্ত কৰি ল'লে। তাৰ পাছৰ বছৰতে হিটলাৰে পোল্যাণ্ড আক্ৰমণ বিশ্বযুদ্ধৰ পাতনি তৰিলে আৰু তাৰ আগতে জেক'স্লোভাকিয়া আক্ৰমণ কৰি অধিকাৰ কৰাত বেনেছ লণ্ডনলৈ পলাই গ'ল আৰু তাত 'প্ৰৱাসী চৰকাৰ' স্থাপন কৰিল।

১৯৪৫ চনত মিত্ৰপক্ষই নাৎছি তথা হিটলাৰৰ জাৰ্মানিক পৰাজিত কৰাত দ্বিতীয় বিশ্বযুদ্ধৰ অন্ত পৰিল আৰু তেতিয়া 'জেক'স্লোভাকিয়া' ছোভিয়েত কশ্বৰ অধীনস্থ হ'ল। ১৯৪৮ চনত আঁতোনিন নোভোতনিৰ নেতৃত্বত জেক'স্লোভাকিয়াত কমিউনিষ্ট চৰকাৰ স্থাপিত হ'ল, কিন্তু তথাপি জেক'স্লোভাকিয়াৰ আৰ্থিক পৰিস্থিতিয়ে যেতিয়া অধিক বেয়ালৈ ঢাল ল'লে, তেতিয়া নোভোতনিৰ ঠাইত অ্যালেগজান্দৰ ড্যুবছেকে নেতৃত্বভাৰ গ্ৰহণ কৰিলে। কিন্তু তথাপি জনসাধাৰণ তুষ্ট নহ'ল। তাৰ পাছত ইউ. এছ. এছ. আৰ-ৰ দ্বাৰা 'ওৱাৰ্শ চুক্তি-সৈন্য' বাহিনীৰ সহায়ত জেক'স্লোভাকিয়াত আক্ৰমণ

চলোৱা হ'ল আৰু ড্যুবছেকে ইস্তফা দিলে। আৰু—তাৰ পাছৰেপৰাই এই ইউৰোপীয় দেশখনত বাৰে বাৰে পৰিৱৰ্তনৰ ঢৌ বাগৰি অহা দেখা গৈছে।

জেক'স্লাভাকিয়াৰ দুই-তৃতীয়াংশ মানুহ হ'ল জেক্-সম্প্ৰদায়ৰ আৰু বাদবাকীখিনি —স্লাভ্, জাৰ্মান, পোল, হাংগেৰীয় আৰু অন্যান্য। ১৯৯২ চনৰ ১৭ জুলাইৰ দিনা স্লাভাক্ ৰিপাবলিকে স্বতন্ত্ৰ ৰাজ্যৰ ঘোষণা কৰিছিল, যদিও অধিক সংখ্যক স্লাভ্ ৰাইজেই এই বিভাজনৰ সপক্ষে মত প্ৰকাশ নকৰাত জনমত (ৰেফাৰেন্ডাম) গ্ৰহণ কৰাৰ দিহা লোৱা হ'ল। কিন্তু ৰাষ্ট্ৰীয় পাৰ্ল্যামেণ্টে এই প্ৰস্তাৱ মানি নল'লে আৰু তাৰ পৰিৱৰ্তে সংবিধান-সংশোধন কৰাৰ দিহা ল'বলৈ ফেডাৰেল পাৰ্ল্যামেণ্টক ক'লে। ফেডাৰেল পাৰ্ল্যামেণ্টে বিভাজনলৈ স্বীকৃতি দিয়াত দুখন নতুন দেশৰ জন্ম হ'ল।

বিগত ১৫ জ্যানুৱাৰিৰ দিনা 'প্ৰাগ' আৰু 'ব্ৰাতিস্লাভা'ৰ বিদেশ-মন্ত্ৰীদ্বয় নিউয়ৰ্ক পাইছিলহি তেওঁলোকৰ নিজ নিজ দেশৰ বাবে সংযুক্ত ৰাষ্ট্ৰসংঘৰ সদস্যপদ লাভৰ কাৰণে। সদস্যপদ প্ৰাপ্তিৰ পাছত মিলান নাজ্‌কোই কৈছিল: 'আজিৰ এই মহান দিনত স্লাভাকিয়াই এক নতুন ঐতিহাসিক দিনত পদাৰ্পণ কৰিলে।" আৰু— যোছেফ জিলেনিয়ে কৈছিল: 'মানবাধিকাৰ আৰু স্বতন্ত্ৰতাৰ মৌলিক সিদ্ধান্তৰ বাবে জেক্ ৰিপাবলিকে নিজৰ যথাযোগ্য ভূমিকা এতিয়াৰপৰা অৱশ্যেই পালন কৰিব।'

আবেগ আৰু বাস্তৱ

গুৰুকুলৰ বিদ্যাশিক্ষা সমাপনৰ অন্তত বলভদ্ৰ পুনৰ ঘৰলৈ উভতি আহিল। বলভদ্ৰৰ পিতাদেউ আছিল পণ্ডিত ব্যক্তি। খেতি-বাতি কৰাৰ উপৰিও তেওঁ সংস্কৃত সাহিত্যাদিৰপৰা অনুবাদকাৰ্য্যও কৰিছিল। সেইবোৰ অনুবাদকাৰ্য্য তেওঁ চহৰলৈ জমিদাৰ ডাঙৰীয়াৰ ওচৰলৈ পঠাইছিল, আৰু গুণগ্ৰাহী জমিদাৰ ডাঙৰীয়াই যথাযোগ্য পাৰিতোষিক প্ৰদান কৰি সৎকাৰ্য্যৰ শলাগ লৈছিল।

বিদ্যাৰ্জন কৰি ঘৰলৈ উভতি অহাৰ অন্তত বলভদ্ৰয়ো তাৰ পিতাকৰ বিদ্যাৰত্তামূলক কাৰ্য্যত হাত উজান দিলে আৰু বলভদ্ৰৰ পিতাকে এইবাৰ আনকি পণ্ডিত সকলেও কাঠিন্যৰ ভয়ত প্ৰায় স্পৰ্শ নকৰা হংসপুৰাণ অনুবাদ কৰি বলভদ্ৰক জমিদাৰ ডাঙৰীয়াৰ ওচৰলৈ প্ৰেৰণ কৰিলে।

চহৰলৈ গৈ থাকোঁতে বাটত বয়সস্থ মানুহ এজনে বলভদ্ৰক ক'লে, "তুমি বাৰু—বলভদ্ৰ নহয় জানো? ঢেৰ ওখ-পাখজন হ'লা। পঢ়া-লিখাও নিশ্চয় ঢেৰ শিকিলা। ক'লৈ যাবলৈ ওলাইছানো?"

বলভদ্ৰই বিমোৰত পৰাৰ কথা উমানতে ধৰিব পাৰি মানুহজনে বলভদ্ৰক ক'লে, "তোমাৰ বাৰু—মনত পৰা নাইনে মোক? মই নাৰায়ণ। ভালকৈ ভাবি চোৱাচোন—চিনি পোৱানে নোপোৱা।"

তেতিয়াহে বলভদ্ৰৰ মনত পৰিল: নাৰায়ণ বোলা এই মানুহজনে ল'ৰা-ছোৱালীইঁতক ভাল ভাল সাধুকথা, নানান বিচিত্ৰ বিচিত্ৰ গল্প-কাহিনী শুনাইছিল। শুনোতা সেইবোৰ ল'ৰা-ছোৱালীৰ মাজত



বলভদ্ৰও আছিল এজন। গল্প-কাহিনী কোৱাৰ মাজত নাৰায়ণৰ ঘৈণীয়েকে ঘৰৰ হিৰীণ কুটা তিৰীণ নকৰাত নাৰায়ণক গালিৰে তেভূত কৰিছিল, আৰু নাৰায়ণেও পাছত আকৌ ক'ব বুলি কৈ গুচি গৈছিল। সদায়েই এনেকুৱা হৈছিল।

এইবাৰ বলভদ্ৰৰ সকলো কথা মনত পৰিল আৰু তেওঁক চিনি নোপোৱাৰ বাবে অত্যন্ত লজ্জিত হ'ল।

নাৰায়ণে হাঁহি মাৰি ক'লে, "বাদ দিয়া এইবোৰ মান্ধাতাৰ আমোলৰ কথা, গ'ল কথা গুচিল। পিছে—তুমি চহৰলৈ গৈ আছা—ঘূৰোঁতে এটা নাৰিকল লৈ আহিব পাৰিবানে বাৰু? মই মন্দিৰত নাৰিকল আৰু কলেৰে পূজা আগ কৰিম। গাঁৱত নাৰিকল নোপোৱা হৈছোঁ।"

"ঠিক আছে, কালিলৈ গধূলিৰ আগে আগে নাৰিকল এটা পাব, নিঃচিন্ত হৈ থাকক।" বলভদ্ৰই ক'লে।

চহৰলৈ গৈ বলভদ্ৰই জমিদাৰ ডাঙৰীয়াৰ হাতত হংসপুৰাণৰ অনুবাদৰ কাগজখিনি গটাই দিলে। হংসপুৰাণৰ অনুবাদলৈ চাই বিস্মিত হৈ পৰা জমিদাৰ ডাঙৰীয়াই বলভদ্ৰক ক'লে, "এনে সুকঠিন গ্ৰন্থৰ অনুবাদ ইমান কম দিনতে কেনেকৈনো কৰিলে তেওঁ?"

তেতিয়া বলভদ্ৰই তাৰ গুৰুকুলত বিদ্যাৰ্জনৰ পাছত এইবোৰ কামত সি তাৰ পিতাদেউক সহায় কৰাৰ কথা জমিদাৰক ক'লে। জমিদাৰ ডাঙৰীয়াই এটা শ্লোক বলভদ্ৰক শুনালে আৰু সেই শ্লোকৰ তাৎপৰ্য্য কি—সুধিলে। বলভদ্ৰই ক'লে যে—এই শ্লোকৰ অৰ্থ তথা তাৎপৰ্য্য ওঠৰবিধৰ হয়। এই কথা কৈ, বলভদ্ৰই জমিদাৰ ডাঙৰীয়াক শ্লোকটোৰ তাৎপৰ্য্য বিস্তৃতভাবে বুজাই ক'লে।

শুনি বিস্মিত জমিদাৰ ডাঙৰীয়াই ক'লে, "বলভদ্ৰ, তুমি এক অসাধাৰণ পাণ্ডিত্য আৰ্জিলা। তুমি যদি মাত্ৰ পাঁচটি

দিন আমাৰ ইয়াত থাকিব পাৰা, মই এক পণ্ডিত-সভাৰ আয়োজন কৰিম।”

কিন্তু নাৰায়ণৰ নাৰিকলৰ কথা বলভদ্ৰৰ মনত পৰিল যেতিয়া—তেতিয়া বলভদ্ৰই ভাবিলে: এই সামান্য এটি কামৰ বাবে মই থাকিব নোৱাৰিম বুলি কওঁ কেনেকৈ? ইপিনে—নাৰায়ণকো কথা দিলোঁ আৰু তেওঁৰ পূজাৰ বাটত মই বাধাৰ সৃষ্টি কৰাটোও অন্যায় হ’ব।

বলভদ্ৰই জমিদাৰ ডাঙৰীয়াক ক’লে, “মোৰ পেহীদেউ অতি অসুস্থ। মই চহৰৰপৰা দৰব কিনি লৈ যাম আৰু সেই দৰব তেওঁক কালিলৈ গধূলিৰ আগে আগে দিমগৈ বুলি কথা আছে।”

“সেই কথাত চিন্তাৰ একো নাই। মই মানুহ এজনক দৰবৰে সৈতে পঠাই দিম়।” জমিদাৰে ক’লে।

এই কথাত বলভদ্ৰ ঠেকত পৰিল। বলভদ্ৰই কোঁত্‌কৰে সেপ এটা ঢুকি ক’লে, “পেহীদেউৰ বেমাৰ—যিমান শাৰীৰিক—তাতকৈ অধিক হ’ল মানসিক। মই দৰৱ লৈ যাম আৰু নিজ হাতেৰে তেওঁক খুৱাম—তেহে। এই কামটো কৰিবই লাগিব বুলি আমাৰ চিকিৎসকেও মোক দঢ়াই দঢ়াই কৈছিল।”

বলভদ্ৰৰ এই কথাৰ উত্তৰত জমিদাৰ ডাঙৰীয়াই আৰু একো ক’ব নোৱাৰিলে।

পাছদিনা ৰাতিপুৱা বলভদ্ৰ চহৰৰ





খোজাটোও বৰ ভাল কথা নহয়।"

তথাপি—নিৰুপায়ত পৰি বলভদ্ৰই জমিদাৰক কথাটো ক'লে।

জমিদাৰ ডাঙৰীয়াই ক'লে "এই সামান্য বস্তুৰ বাবে মোকেই ক'বলগা হ'লনে?" এই বুলি কৈ, জমিদাৰে বলভদ্ৰক দহ হেজাৰ মুদ্ৰা আৰু চাৰিটা নাৰিকল দিলে।

বলভদ্ৰই গাঁও আহি পাওঁতে ৰাতি হ'ল। সি তাৰ দেউতাকক জমিদাৰে দিয়া মুদ্ৰাখিনি দিলে আৰু তাত কি কি কথা-বতৰা হ'ল তাকো বিৱৰিলে।

তেতিয়া বলভদ্ৰৰ দেউতাকে বলভদ্ৰক ক'লে, "কোনোবা এখন অনূদিত গ্ৰন্থৰ বাবে জমিদাৰ মহাশয়ে ইমান ধন আগে কেতিয়াও দিয়া নাছিল। তোমাৰ বিদ্যাত মুগ্ধ হৈহে ইমান ধন তেওঁ দিলে কিজানি। পণ্ডিত-সভা পতাহেঁতেন তেওঁ তোমাক হয়তো একলাখ মুদ্ৰাৰে পৰিতুষ্ট কৰিলেহেঁতেন। কিন্তু—সামান্য নাৰিকল এটাৰ কাৰণে তেনেকৈ গুচি আহিলা—ভাল কাম নকৰিলা। আবেগ আৰু বাস্তৱ এক নহয়।"

"ধনতকৈ বচন ৰক্ষা শ্ৰেষ্ঠ—এই কথা গুৰুকুলত মোক শিকোৱা হৈছিল। ধন গ'লে ধন পাম—বচস তথা মান গ'লে

বজাৰলৈ গ'ল। কিন্তু বহু সময় ধৰি বিচাৰিও বজাৰত নাৰিকল এটা নাপালে। নাৰিকলৰ বেপাৰী এজনৰ মৃত্যু হোৱাত বজাৰৰ নাৰিকলৰ দোকানবোৰ সেইদিনা বন্ধ আছিল।

তেতিয়া নিৰুপায়ত পৰি বলভদ্ৰই জমিদাৰৰ ৰান্ধনি মানুহজনক কথাটো কোৱাত ৰান্ধনি মানুহজনে বলভদ্ৰক ক'লে, "চাওক, সৌ বস্তা দুটাত ভৰ্তি কেৱল নাৰিকলেই নাৰিকল আছে। কিন্তু জমিদাৰ ডাঙৰীয়াৰ অনুমতি বিনে মই তো আপোনাক এটাও দিব নোৱাৰিম। পিছে—ডাঙৰ লোকৰপৰা সামান্য বস্তু

মান নাপাম—এয়ে জানি আহিছোঁ।"

কিন্তু সেই বচন—কাৰ বাবে কিহৰ বাবে কিমান আৱশ্যকীয়—তাকো ভাবি চাব লাগে। নহ'লে—বাস্তৱ জীৱনত ঠেকা খাব লাগে।" দেউতাকে ক'লে।

বলভদ্ৰই তাৰ দেউতাকে কোৱা কথাৰ গূঢ়াৰ্থ সুবুজাকৈ নাথাকিল। কিন্তু এতিয়া আৰু কৰিবলগীয়া একো নাই। বলভদ্ৰই নাৰায়ণৰ বাবে নাৰিকল কঢ়িয়াই লৈ তেওঁৰ ঘৰলৈ গ'ল। কিন্তু ঘৰৰ দুৱাৰত তলা। আক-তাক সুধি বলভদ্ৰই জানিলে যে—পৰিবাৰৰ মৃত্যুৰ পাছৰেপৰাই নাৰায়ণৰ মন-মতিৰ ঠিক-ঠাক নোহোৱা হৈছে। তেওঁ কেতিয়া থাকে কেতিয়া যে ঘৰত নাথাকে—কোনেও সেই কথা ক'ব নোৱাৰে।

তেতিয়া বলভদ্ৰই কাগজত এখিলাত নাৰিকলৰ কথা লিখি কাগজখিলা তলাটোৰ লগত ৰছীৰে বান্ধি থৈ গুচি আহিল।

পাছদিনা ধলপুৱাতে পুনৰ ওলালগৈ। কিন্তু তেতিয়াও তলা ওলমিয়েই আছিল। বহুতোপৰলৈকে তাত বৈ থকাৰ অন্তত বলভদ্ৰ পুনৰ ঘৰলৈ উভতি আহিল।

কিন্তু দুপৰীয়াৰ পৰতে বলভদ্ৰ পুনৰ নাৰায়ণৰ ঘৰলৈ বুলি ওলাল আৰু এইবাৰ নাৰায়ণক তাত দেখা পালে। নাৰায়ণে কিবা এখন কিতাপ পঢ়ি আছিল।



নাৰায়ণে বলভদ্ৰক দেখা পায়েই কৈ উঠিল, "মই অধ্যয়ন কৰোঁতে কোনোবাই মোক জলা-কলা নকৰিলেই ভাল পাওঁ মই। তোমাক কি লাগে?"

"চাওক—মই কালি গধূলি পৰতে আহিছিলোঁ, আজি আগবেলা আকো এবাৰ আহিছিলোঁ, আৰু এই থিয় ৰ'দৰ মাজত পুনৰ এবাৰ আহিবলগাত পৰিলোঁ। ক'লৈ গৈছিলনো?"

"ক'লৈকো যোৱা নাছিলোঁ মই— " নাৰায়ণে ক'লে, "মই এই গ্ৰন্থখন পঢ়াৰ কাৰণেই ঘৰৰ আগ-দুৱাৰত তলা মাৰি পিছ-দুৱাৰেদি পুনৰ ঘৰতে সোমাই আছিলোঁগৈ।"

"অঁ!" বলভদ্ৰই আচৰিত মানি ক'লে, "তেনেহ'লে—আজি যে নাৰিকল নহ'লেই নহ'ব—পূজা আগ কৰিব বুলি কৈছিল যে—"

"সেয়া বৰ ডাঙৰ কথা নহয়। নাৰিকল হ'লেও হয়, নহ'লেও হয়। নাৰিকলৰ কাৰণে নাৰায়ণৰ পূজা নোহোৱাকৈ থাকিবনে কিবা? এতিয়া মোৰ শৰীল-স্বাস্থ্যও ভাল হৈ থকা নাই। মন-মেজাজো ভাল নাই। গতিকে—পূজা-টুজা ধেঁৰাচাঙত তুলি থৈছোঁ। আৰু পূজা-টুজা সিমান জৰুৰী কামো নহয়, বুইছা নহয়?" নাৰায়ণে ক'লে।

বলভদ্ৰৰ হাতত নাৰিকল দেখিও নাৰায়ণে সেই কথা এবাৰলৈকো নক'লে। বলভদ্ৰই নাৰিকলকেইটা তাত থৈ দিলে আৰু এই নাৰিকলৰ বাবে সি যে কিমান কি হেৰুৱালে—সেই কথা নাৰায়ণক ক'বলৈ মুখ মেলিও নৈ দিলে। ভাবিলে এই ঢেকুৰা লাইক একোপধ্যেই সিজাব নোৱাৰি। লগতে আৰু ভাবিলে: জীৱনৰ বাস্তৱতাৰ কথাত অভিজ্ঞ দেউতাকে ঠিকেই কৈছিল যে — আবেগ আৰু বাস্তৱত মিলতকৈ অমিলেই অধিক।



মায়া মহল

১২

[আগৰ কথা : মায়া-মহলৰপৰা নিৰাপদে ওলাই অহাৰ অন্তত অৰণ্যৰ মাজেদি গৈ গৈ গধূলিৰ আগে আগে ৰাজকুঁৱৰী আৰু মহেন্দ্ৰনাথে সেই সন্ন্যাসীৰ আশ্ৰম পালেগৈ। মহেন্দ্ৰনাথক আৰু লগতে ৰাজকুঁৱৰী বিদ্যাৱতীকো দেখা পাই সন্ন্যাসী আনন্দিত হ'ল। কথা প্ৰসংগত সন্ন্যাসীয়ে মহেন্দ্ৰনাথ আৰু বিদ্যাৱতীৰ আগত নিজৰ যিটি কাহিনী ক'লে, তাৰে মহেন্দ্ৰনাথে স্পষ্টৰূপে জানিব পাৰিলে যে—এই সন্ন্যাসীগৰাকী প্ৰকৃতপক্ষে হ'ল মহেন্দ্ৰনাথৰ খুড়াদেৱেক বীৰেন্দ্ৰনাথ আৰু মহেন্দ্ৰ হ'ল আচলতে এজন ৰাজকোঁৱৰ। তাৰ পাছত মহেন্দ্ৰনাথ আৰু ৰাজকুঁৱৰী বিদ্যাৱতীয়ে সন্ন্যাসীৰ নিৰ্দেশমতে গৈৰিক বসন পিন্ধি ৰাজধানীলৈ বুলি ৰাওনা কৰিলে। আৰু সিহঁতৰ লগে লগে সন্ন্যাসীও ৰাজধানীলৈ গৈ থাকিল। তাৰ পাছত···]

ৰাজকুঁৱৰী বিদ্যাৱতী নোহোৱা হোৱাৰপৰা এপষ পাৰ হৈ গ'ল। বিদ্যাৱতীৰ কোনো সা-সন্ধান নাপাই মহাৰাজ-মহাৰাণী চিন্তাত আকুল হৈ উঠিল। ব্যাকুল মহাৰাজে জ্যোতিষাচাৰ্য্য বাচস্পতিক মতাই অনালে আৰু ৰাজকুঁৱৰীৰ গ্ৰহ-বৈগুণ্যৰ বৰ্তমান অৱস্থাৰ কথা সুধিলে।

মহাৰাজে সুধিলে, "আচাৰ্য্য, সেই জগৎপতাচাৰ্য্যৰ বিষয়ে কিবা খবৰ পালেনে?"

"আজিলৈকে কোনো খবৰেই পোৱা নাই, মহাৰাজ! এই বিষয়ে জ্ঞাত হ'বলৈ মই মোৰ শিষ্য মঞ্জুনাথক তালৈ প্ৰেৰণ কৰিছোঁ। মঞ্জুনাথ—কালি-পৰহি মানে পাবহি বুলি আশা কৰিছোঁ।" ক্ষন্তেকমান ৰৈ বাচস্পতিয়ে পুনৰ ক'লে, "ৰাজকুঁৱৰীৰ

"ঠিক আছে, তুমি এতিয়া যোৱা। মই এতিয়াই গৈছোঁ তালৈ।"

এই বুলি কৈ সেনাধিপতি উগ্রসেন ৰাজপ্ৰাসাদলৈ গ'ল। তেতিয়া মহাৰাজ-মহাৰাণীয়ে জ্যোতিষাচাৰ্য্য বাচস্পতিৰ সৈতে কথা পাতি আছিল।

উগ্রসেনে পালুকী আৰু ঘোঁৰাচোৱাৰীৰ কথা মহাৰাজক কোৱাৰ পাছত মহাৰাণীয়ে মহাৰাজক ক'লে, "মহাৰাজ! সেই পালুকীৰ ভিতৰত আমাৰ বিদ্যাৰতীও থাকিব পাৰে। আৰু সেই ঘোঁৰাচোৱাৰী কোনোবা ৰাজ্যৰ ৰাজকোঁৱৰো হ'ব পাৰে। ব'লক, আমি চাই আহোঁগৈ।"

তেতিয়া মহাৰাজে ক'লে, "পালুকীৰ ভিতৰত যদি বিদ্যাৰতীয়েই আছে— কিয়নো তাই প্ৰাসাদলৈ নাহিব? প্ৰাসাদ তো তাইৰ অচিনাকি ঠাই নহয়—।"

তাৰ পাছত তিনিও সেই ঠাইলৈ গ'ল। তাত পালুকীখন নমাই থোৱা হৈছিল আৰু পালুকীৰ ওচৰত তিনিজন ঘোঁৰাচোৱাৰী বৈ আছিল।

মহাৰাজক দেখা পায়েই এজন ঘোঁৰা-চোৱাৰী ঘোঁৰাৰপৰা নামি আহিল আৰু মহাৰাজক প্ৰণাম কৰিলে। মহাৰাজে কিঞ্চিত যেন থতমত খাই ফুটোঁ-নুফুটোঁ মাতেৰে কৈ উঠিল, "তুমি—"

কোষ্ঠী অনুসাৰে—তেওঁৰ এতিয়া আৰু গ্রহদোষ নাই। এতিয়া তেওঁৰ সুসময়। ৰাজকুঁৱৰী যিকোনো মুহূৰ্ত্তে প্ৰাসাদ পাৰিব বুলি মোৰ বিশ্বাস।"

এনেতে এজন প্ৰহৰীয়ে সেনাধিপতিক ক'লেহি, "এতিয়াই এখন দোলা ৰাজ-প্ৰাসাদৰ প্ৰধান প্ৰবেশদ্বাৰৰ আগত ৰৈছেহি। লগতে তিনিজন ঘোঁৰা-চোৱাৰীও আছে। এজন ঘোঁৰাচোৱাৰীয়ে এই মুহূৰ্ত্তে মহাৰাজৰ সৈতে সাক্ষাৎ কৰিব খুজিছে।"

"তাৰ নাম?" উগ্রসেনে সুধিলে।

"মই নাজানো।" প্ৰহৰীয়ে ক'লে।

ঘোঁৰা-চোৰাৰীয়ে ক'লে, "মই হলোঁ হিমগিৰি ৰাজ্যৰ এসময়ৰ শাসনকৰ্তা ত্ৰিলোকপতিৰ নাতি— ।"

"হিমগিৰি ৰাজ্যৰ ৰজা—উমাপতি নহয়নে ?" মহাৰাজে সুধিলে।

"হয়, মহাৰাজ! ত্ৰিলোকপতিদেউক আক্ৰমণ কৰি পৰ্য্যুদস্ত কৰাৰ অন্তত উমাপতিয়ে সেই সিংহাসন বলেৰে অধিকাৰ কৰিছিল। মই হ'লোঁ মহাৰাজ ত্ৰিলোকপতিৰ ভাতৃ কৈলাসপতিৰ পুত্ৰ। উমাপতিয়ে যেতিয়া হিমগিৰিৰ সিংহাসন অধিকাৰ কৰিছিল, তেতিয়া মোৰ পিতৃ-গজপতিৰ সৈতে ময়ো ৰাজ্য এৰি গুচি যাব লগা হৈছিলোঁ। মোৰ নাম—জগতপতি।" ঘোঁৰা-চোৰাৰীয়ে ক'লে।

জগতপতিৰ নামটো শুনামাত্ৰেই মহাৰাজ আৰু জ্যোতিষাচাৰ্য্যই পৰস্পৰলৈ চালে আৰু সেনাধিপতিৰ সোঁহাতখন তৰোৱালৰ খাপৰ ওপৰত ৰ'লগৈ।

"মই আপোনাৰ কাৰণে এক খুছ-খবৰ কঢ়িয়াই আনিছোঁ—মহাৰাজ! আপোনাৰ পুত্ৰী ৰাজকুঁৱৰী বিদ্যাৰতীক শত্ৰুৰ কবলৰপৰা ৰক্ষা কৰি নিৰাপদে ওভোতাই লৈ আহিছোঁ।" পাল্‌কীখনলৈ আঙুলিয়াই জগতপতিয়ে ক'লে।

মহাৰাণীয়ে কৈ উঠিল, "বিদ্যাৰতী

—আমাৰ বিদ্যা—পাল্‌কীত আছেনে ?

"কিন্তু—" মহাৰাজে কিঞ্চিত তীক্ষ্ণ কণ্ঠেৰে জগতপতিক ক'লে, পাল্‌কীৰ ভিতৰত যদি সঁচাসঁচিকৈ মোৰেই পুত্ৰী বিদ্যাৰতীয়েই বহি আছে, তাই ওলাই অহা নাই কেলেই ? ৰাজপ্ৰাসাদ বা আমি তো তাইৰ কাৰণে অচিন-অচিনাকি নহয়। যি কি নহওক—তাই সুস্থনে ?"

"হয়, মহাৰাজ, তেওঁ সুস্থ। মই এতিয়াই তেওঁক পাল্‌কীৰ বাহিৰলৈ আহিবলৈ ক'ম।" জগতপতিয়ে ক'লে।

তাৰ পাছত—ইংগিত পাই পাল্‌কীৰ পৰ্দা গুচাই মালিনী পাল্‌কীৰপৰা বাহিৰলৈ

ওলাই আহিল আৰু ওলাই আহি ভীত দৃষ্টিৰে চাৰিওফালে চাই থাকিল।

হয়, দেখাত তাই—বিদ্যাৰতীয়েই। কিন্তু তাই কিয়নো ইমান ভীত-বিভ্ৰান্ত দৃষ্টিৰে ইফালে-সিফালে চাব ধৰিছে?

ইতিমধ্যে — সেনাপতি উগ্ৰসেন জগতপতিৰ কাষ চাপিছিলহি। তেওঁ জগতপতিৰ বাহুত থাপি মাৰি ধৰি ক'লে, "এইজনী ৰাজকুঁৱৰী বিদ্যাৰতী নহয়।"

"সেইজনী নিশ্চয়েই ৰাজকুঁৱৰী।" জগতপতিয়ে দৃঢ়তাৰে ক'লে।

"কেনেকৈনো কৈছা এই কথা? তুমি কেতিয়াবা আমাৰ ৰাজকুঁৱৰী বিদ্যাৰতীক দেখিছানে?" উগ্ৰসেনে সুধিলে।

জগতপতিয়ে এই প্ৰশ্নৰ কোনো সদুত্তৰ নিদিলে। জগতপতিয়ে ক'লে, "মই ৰাজকুঁৱৰীক মহাদুষ্টইঁতৰ কবলৰপৰা তথা মৃত্যুৰ গৰাহৰপৰা ৰক্ষা কৰিছোঁ। তথাপি তেওঁ মোৰ অচিনাকিনে? দুষ্টগ্ৰহৰ প্ৰভাৱতহে ৰাজকুঁৱৰীৰ এনে অৱস্থা—।

জ্যোতিষাচাৰ্য্য বাচস্পতিয়ে কৈ উঠিল, "ৰাজকুঁৱৰীৰ ওপৰত দুষ্ট গ্ৰহৰ প্ৰভাৱ থকা বুলি কেনেকৈনো জানিলা?" এই কথা সুধিয়েই আচাৰ্য্য বাচস্পতিয়ে জগতপতিৰ সিখন হাতত ধৰিলে।

"এই খবৰ মই জ্যোতিষীসকলৰপৰা পাইছিলোঁ।" জগতপতিয়ে ক'লে।

"তুমি এই কাৰণেহেনে ইমান দিন ধৰি নোহোৱা হৈ আছিলা? হাৰে কৃতঘ্ন! ৰাজকুঁৱৰীৰ গ্ৰহস্থিতি জানি লৈ তুমিয়েই তেন্তে তেওঁক অপহৰণ কৰি লুকুৱাই থৈ দিছিলা। নহয়? আৰু—তাৰ পাছত তেওঁৰ শুভ মুহূৰ্তৰ কথা জানি—ৰক্ষাকাৰীৰ ভেশত তেওঁক আকৌ তুমিয়েই লৈ আহিছা। জগতপতি! তোমাৰ স্বৰূপ এতিয়া ওলাই পৰিল। মই যে তোমাৰ সৈতে কিবা ধৰণেও সম্পৰ্ক স্থাপন কৰিছিলো—তাৰ বাবে মই এতিয়া অতি লজ্জিত।" এই বুলি কৈ


RAZI

বাচস্পতিয়ে জগতপতিৰ হাত এৰি দিলে।

আৰু লগে লগে জগতপতিয়ে নিজৰ ডিঙিত থকা তাৰিজত জোৰেৰে খামুচি ধৰিলে আৰু সেই মুহূৰ্ত্ততে ঠাইডোখৰ ধোঁৱাৰে ভৰি পৰিল আৰু সেই গুলুম বন্ধা ধোঁৱাৰ মাজত সেনাধিপতিৰ মুঠিৰপৰাও চেং-পিছলা দি জগতপতি ৰাজপ্ৰাসাদৰ বাহিৰলৈ ওলাই আহিল।

এনেতে অকস্মাৎ মহেন্দ্ৰনাথ তালৈ উপস্থিত হ'লহি আৰু একে লৰে দুষ্ট জগতিপতিৰ ওচৰলৈ গৈ কৈ উঠিল, "মহাধূৰ্ত্ত জগতপতি! জানি থোৱা, তোমাৰ খেলৰ এইবাৰেই অন্ত পৰিল!"

মহাৰাজে প্ৰহৰীহঁতক আদেশ দিলে, "সেই সলি-সিয়ানটোক বন্দী কৰাঁ!"

প্ৰহৰীহঁতে চকুৰ পচাৰতে জগতপতিৰ ওপৰলৈ বাঘ পৰাদি পৰি কটকটীয়াকৈ বান্ধি পেলালে। সেনাধিপতি উগ্ৰসেনে বিস্ময়ৰে কৈ উঠিল, আৰে! তুমি মহেন্দ্ৰনাথ! উভতি আহিলাইনে? এই মহাধূৰ্ত্ত জগতপতিক বন্দী কৰাত তোমাৰ এই সহায়—অৰ্ভাৰিত। —ৰাজকুঁৱৰীৰ কিবা খা-খবৰ পালানে?"

"মামা—মাম', মই ইয়াতে আছোঁ।" বিদ্যাৰতীয়ে কৈ উঠিল।

গৈৰিক বেশ-ভূষা গাত থকা সত্বেও সেনাধিপতি উগ্ৰসেনে ৰাজকুঁৱৰী বিদ্যাৰতীক চিনিব পাৰিলে। তেওঁ মহাৰাণীলৈ চাই কৈ উঠিল, "আমাৰ বিদ্যাৰতীক মহেন্দ্ৰই লৈ আহিল!"

"মোৰ আই! আই মোৰ—! তই ভালে-কুশলেই আছনে?" মহাৰাণীয়ে বিদ্যাৰতীক তেওঁৰ বুকুৰ ভিতৰলৈ সুমুৱাই ল'লে।

"বিদ্যা! কিয়নো তোমাৰ এনে বেশ?" মহাৰাজে বিদ্যাৰতীক সুধিলে।

বিদ্যাৰতীয়ে তাত মালিনীক দেখা পাই আচৰিত মানি তাইক সুধিলে, "আঃ! তেনেহ'লে পালকীত—তোমাকেই

কঢ়িয়াই লৈ অহা হৈছিল!"

মহেন্দ্ৰনাথে মহাৰাজক ক'লে, "মহাৰাজ! মই নিজ কাৰ্য্য সম্পন্ন কৰিলোঁ, ৰাজকুঁৱৰীক আপোনাৰ হাতত সমৰ্পণ কৰিলোঁ। এই কাৰ্য্য অৱশ্যে—অকল মোৰদ্বাৰায়েই সম্পন্ন হোৱা নাই, মোৰ খুড়াদেউৰো এই কাৰ্য্যত যথেষ্ট অৱদান আছে।" এই বুলি কৈ মহেন্দ্ৰনাথে তাৰ খুড়াদেৱেকলৈ—অৰ্থাৎ বীৰেন্দ্ৰনাথলৈ আঙুলিয়াই দেখুৱালে—বীৰেন্দ্ৰনাথ তথা সেই সন্যাসীক দেখি মহাৰাজ অলপ বিস্ময়াবিষ্ট যেন হ'ল।

তেতিয়া মহেন্দ্ৰনাথে মহাৰাজক ক'লে, "এওঁৱেই হ'ল মোৰ খুড়াদেউ বীৰেন্দ্ৰনাথ, মহিমাপুৰীৰ ৰাজপৰিয়ালৰ জিতেন্দ্ৰনাথৰ ভাতৃ।"

মহাৰাজে বীৰেন্দ্ৰনাথলৈ চাই ক'লে, "দেৱীমন্দিৰ দৰ্শনলৈ আহিছিল যেতিয়া, তেতিয়া মই জিতেন্দ্ৰনাথক দেখিছিলোঁ। তেওঁ শত্ৰুৰ হাতত ধৰা পৰি মৰিছিল বুলি শুনিছিলোঁ...আৰু আপুনি—?"

তেতিয়া সন্যাসীবেশী বীৰেন্দ্ৰনাথে ক'লে, "মোৰ জ্যেষ্ঠভ্ৰাতা জিতেন্দ্ৰনাথৰ যেতিয়া মৃত্যু হ'ল, তেতিয়া মহেন্দ্ৰনাথ আছিল নিচেই পানী-কেঁচুৱা। সেই পানী-কেঁচুৱাটিক আৰু তাৰ মাকক লৈ মই সিহঁতৰ প্ৰাণৰক্ষাৰ বাবে পলাই গৈছিলোঁ। তাৰ কিছুদিনৰ অন্তত মই সন্যাস গ্ৰহণ কৰিছিলোঁ। তাৰ পাছত—এদিন দৈৱক্ৰমে অৰণ্যতে মহেন্দ্ৰনাথৰ সৈতে দেখাদেখি। এই মহেন্দ্ৰনাথেই হ'ল মহিমাপুৰীৰ ওৱাৰিছ বা উত্তৰাধিকাৰী। এই কথা আপোনাক বুজাই ক'বলৈ, আৰু মহেন্দ্ৰনাথৰ মাতৃৰপৰা ক্ষমা প্ৰাৰ্থনা কৰিবলৈহে মই আহিলোঁ।"

"মহেন্দ্ৰৰ মাতৃ আমাৰ সুৰক্ষাত নিৰাপদেই আছে। মই তেওঁক এতিয়াই ইয়ালৈ লৈ অহাৰ বন্দৱস্ত কৰিছোঁ।" সেনাধিপতিয়ে ক'লে।

মহাৰাজে সেনাধিপতিক ক'লে, "উগ্ৰসেন! মহেন্দ্ৰৰ নিৰাপত্তাৰ বন্দৱস্ত কৰা। মহেন্দ্ৰ আৰু মহেন্দ্ৰৰ মাতৃ হ'ল আমাৰ অতি গুৰুত্বপূৰ্ণ অতিথি।"

মহাৰাণীয়ে মহাৰাজক একাষৰীয়াকৈ মাতি নি কিছু সময় ধৰি গুন-গুনকৈ কিবাকিবি ক'লে।

মহাৰাজেও স্বীকৃতিমূলকভাৱে মূৰ দুপিয়াই ক'লে, "ঠিক, ঠিক। ঠিকেই কৈছা। আমাৰ বিদ্যাৰতীৰ কাৰণে মহেন্দ্ৰ অতি যোগ্যপাত্ৰ।" তাৰ পাছত মহাৰাজে সন্ন্যাসী বীৰেন্দ্ৰনাথলৈ চাই ক'লে, "মহেন্দ্ৰৰ মাতৃ ইয়ালৈ নহালৈকে আপুনি অনুগ্ৰহ কৰি ইয়াতে থাকক।" তাৰ পাছত জ্যোতিষাচাৰ্য্য বাচস্পতিলৈ ঘূৰি চাই ক'লে, "আপুনি এতিয়া আকৌ এবাৰ বিদ্যাৰতীৰ কোষ্ঠী বিচাৰ কৰি চাওক। ব'লক, আমি ভিতৰলৈ যাওঁ।"

মহাৰাজৰ সৈতে সকলোটি প্ৰাসাদৰ ভিতৰলৈ গ'ল। এফালে মহাৰাণী, ৰাজকুঁৱৰী আৰু পৰিচাৰিকা মালিনী, আৰু অন্যফালে জ্যোতিষাচাৰ্য্য বাচস্পতিদেউ আৰু সন্ন্যাসী বীৰেন্দ্ৰনাথ।

সেনাধিপতি উগ্ৰসেনে মহেন্দ্ৰনাথলৈ অভিনন্দন জ্ঞাপন কৰি কলে, "তোমাৰ মাতৃদেৱীক ইয়ালৈ লৈ আহিবলৈ তোমাৰ সৈতে ময়ো তোমালোকৰ গৃহলৈ যাম। তোমাৰ নিচিনা সাহসী পুত্ৰৰ মাতৃ হৈ তেওঁৰ জীৱন ধন্য হ'ল। ইমান দুখে-কষ্টে থাকিও—তোমালোক যে এক খ্যাতিমন্ত ৰাজ-পৰিয়ালৰ—সেই কথা কেতিয়াও প্ৰকাশ কৰা নাছিলা। আমি যথাযোগ্য ৰাজকীয় সংবৰ্ধনাৰে তেওঁক ইয়ালৈ আদৰি লৈ আহিমগৈ ব'লা।"

এই বুলি কৈয়েই সেনাধিপতি উগ্ৰসেনে মহেন্দ্ৰনাথৰ সৈতে সিহঁতৰ গৃহলৈ যাবলৈ দুটা সুদৃশ্য ঘোঁৰাৰ পিঠিত উঠিল আৰু দুয়ো গৈ থাকিল। [অন্ত]

বাস্তৱ-অবাস্তৱ

অটল প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছৰ ডালৰপৰা মৃতদেহটো নমাই আনি কান্ধত পেলাই লৈ সেই মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰাজন্! জগতৰ কিছুমান শূৰ-বীৰ তথা মহা বিদ্বান-বুদ্ধিমান আৰু শিল্পী সকলৰ মাজতো বাস্তৱবুদ্ধিৰ প্ৰকট অভাৱ পৰিলক্ষিত হয়। মই যদিও তোমাৰ বাস্তৱবুদ্ধি থকা বা নথকালৈ কটাক্ষ কৰা নাই, কৈছোঁহে মাথোন, তথাপি বুদ্ধি-বিবেচনাৰ বাস্তৱতাৰ উদাহৰণৰপৰা শিক্ষা গ্ৰহণ কৰাতো কোনো দোষ নেদেখোঁ। এই বিষয়ে মই এক মহাশিল্পী অমৰেন্দ্ৰৰ কাহিনী তোমাক ক'ম।" এই বুলি কৈ, বেতালে মহাশিল্পী অমৰেন্দ্ৰৰ সেই ৰিবেশ কাহিনীভাগ ক'বলৈ ধৰিলে :

'বেতাল-কথা'

চন্দ্ৰগিৰি ৰাজ্যৰ ৰজা আছিল কীৰ্তিচন্দ্ৰ। কীৰ্তিচন্দ্ৰ অতি কলাপ্ৰেমী ৰজা। তেওঁৰ ৰাজসভাত প্ৰতিদিনেই কবি-সম্মিলন পতা হৈছিল, নৃত্যানুষ্ঠান হৈছিল আৰু তেওঁৰ অন্তেষপুৰতো আছিল বিভিন্ন তৈলচিত্ৰৰ তথা ভাস্কৰ্য্যৰো সমাৰোহ।

কলাপ্ৰেমী কীৰ্তিচন্দ্ৰদেৱে সৰ্ববিধৰ কলায়েই ভাল পাইছিল, কিন্তু শিল্পকলাৰ প্ৰতি তেওঁৰ আকৰ্ষণ আছিল সৰ্বাধিক। সম্প্ৰতে তেওঁ এক অপূৰ্ব নৃত্যশালা সাজিবলৈ পৰিকল্পনা কৰিছে। এই পৰিকল্পিত নৃত্যশালাৰ ক'ত কি ধৰণৰ ভাস্কৰ্য্য কৰা হ'ব—সেই দায়িত্ব কাক দিব—সেই চিন্তাতে মহাৰাজ সদা ব্যস্ত।

ঠিক তেতিয়াই মহাৰাজে অমৰেন্দ্ৰ নামৰ ভাস্কৰ এগৰাকীৰ কথা শুনি তেওঁক ৰাজধানীলৈ লৈ অহাৰ বাবে তেওঁৰ পাৰিষদ কেইজনমানক অমৰেন্দ্ৰ থকা গাঁৱলৈ পঠালে।

অমৰেন্দ্ৰ আছিল এক মহৎ শিল্পী। কেৱল আত্মতৃপ্তিৰ কাৰণে তেওঁৰ কৃত ভাস্কৰ্য্য আছিল অতি জীৱন্ত। কঠিন শিলাক তেওঁ কমনীয় সৌন্দৰ্য্যলৈ পৰ্য্যৱসিত কৰিব পাৰিছিল।

মহাশিল্পী অমৰেন্দ্ৰৰ কথা শুনি মহাৰাজে অমৰেন্দ্ৰক ৰাজশিল্পীৰ পদ অৰ্পণ কৰিব বুলি স্থিৰ কৰিছিল আৰু পাৰিষদসকলকো এই কথাটো কৈছিল।

ৰজাৰ পাৰিষদবৰ্গই পাল্‌কীৰে সৈতে যেতিয়া অমৰেন্দ্ৰৰ গাঁও পালেগৈ—তেতিয়া সকলো কথা শুনাৰ অন্তত অমৰেন্দ্ৰই মহাৰাজৰ পাৰিষদবৰ্গক ক'লে, "ক্ষমা কৰিব, ৰাজশিল্পী হোৱাৰ কোনো বাসনা মোৰ নাই। এই বিষয়ে মহাৰাজৰ মই ক্ষমাপ্ৰাৰ্থী।"

এই সম্বাদ পাৰিষদসকলৰ মুখে শুনি স্বয়ং মহাৰাজেই মহাশিল্পী অমৰেন্দ্ৰৰ ওচৰলৈ গ'ল আৰু ক'লে "অমৰেন্দ্ৰ, তুমি হ'লা এগৰাকী মহান শিল্পী। কিন্তু জগতৰ

কোনো শিল্পকলা কেৱল আত্মতৃপ্তিৰ কাৰণে হ'ব নোৱাৰে। শিল্পকলা হ'ল সমগ্ৰ জগতৰ সামগ্ৰী। সমগ্ৰ জগততে বিয়পি পৰিলেহে তাৰ সাৰ্থকতা।"

অমৰেন্দ্ৰই তেওঁক ক'লে, "মহাৰাজ, আপোনাৰ কথাৰ ন্যায্যতা নাই বুলি মই নকওঁ। কিন্তু সাধাৰণতঃ ৰজা-মহাৰজা সকলে শিল্পকলাক তেওঁলোকৰ নিজৰ গৌৰৱাৰ্থেহে ব্যৱহাৰ কৰা হয়।"

শিল্পীৰ কথাত মহাৰাজ কীৰ্তিচন্দ্ৰই বেদনা বোধ কৰিলে আৰু ক'লে, "অমৰেন্দ্ৰ, তুমি মোক ভুল বুজিলা। প্ৰকৃত কথা হ'ল এয়ে যে—এগৰাকী মহান শিল্পী এগৰাকী ৰজা-মহাৰজাতকৈ সদায়েই উচ্চথাপৰ। যি কি নহওক, তুমি মোৰ কথা মানি লোৱা, মোৰ পৰিকল্পিত নৃত্যশালাৰ ৰূপাৰোপৰ দায়িত্ব লোৱা, তুমি এক প্ৰস্তৰ-নিৰ্মিত নৃত্যশালাক জীৱন্ত কৰি তোলা।"

অলপ সময় ধৰি মিমাত হৈ থকাৰ অন্তত অমৰেন্দ্ৰই কৈ উঠিল, "ঠিক আছে, মহাৰাজ! মই সেই নৃত্যশালাৰ ৰূপাৰোপৰ দায়িত্ব ল'লোঁ।"

তাৰ পাছত অমৰেন্দ্ৰ ৰাজধানীলৈ আহিল আৰু নৃত্যশালাৰ নিৰ্মাণকাৰ্য্যতে মন-প্ৰাণ সমৰ্পিলে। অতি সুন্দৰ সুন্দৰ

প্ৰস্তৰ-খোদিত মূৰ্তি সাজি উলিয়ালে। মহাশিল্পী অমৰেন্দ্ৰ উদয়াস্ত নৃত্যশালাৰ কামতে বিভোৰ হৈ থাকিল।

এদিন এই নিৰ্মীয়মান নৃত্যশালা পৰিদৰ্শনৰ বাবে ৰাজকুঁৱৰী ছন্দা নৃত্যশালালৈ আহিল আৰু ইমান ধুনীয়া তথা জীৱন্ত মৰ্মৰমূৰ্তিসমূহ চাই একেবাৰে হতবাক হৈ পৰিল।

তাৰ পাছত ৰাজকুঁৱৰী ছন্দাৰ দৃষ্টি পৰিল শিল্পী অমৰেন্দ্ৰলৈ। ইমান সুন্দৰ যে কোনোবা জীৱন্ত মানুহৰ মূৰ্তি হ'ব পাৰে! ৰাজকুঁৱৰীৰ দৃষ্টিৰ আগত যেনিবা বিভ্ৰমৰ সৃষ্টি হ'ল। ৰাজকুঁৱৰী ছন্দাই

নিৰ্মাণকাৰ্য্য শেষ হ'ল। মহাৰাজ কীৰ্তিচন্দ্ৰ আৰু অন্য অন্য ৰাজন্যবৰ্গ, আৰু উল্লেখ-যোগ্য ব্যক্তিবৰ্গয়ো এনে অপৰূপ-অপূৰ্ব নৃত্যশালাৰ নিৰ্মাণকাৰ্য্যৰ ভুৰি ভুৰি শলাগ ল'লে আৰু তাৰ পাছত হংসসুন্দৰীৰ নৃত্যানুষ্ঠানেৰে নৃত্যশালাৰ উদ্বোধনকাৰ্য্য সম্পন্ন কৰিলে।

আৰু এই উদ্বোধন-অনুষ্ঠানৰ মাজতেই এছেগত ৰাজকুঁৱৰী চন্দাই অমৰেন্দ্ৰক ক'লে তেওঁৰ মনৰ কথা, ক'লে যে—তেওঁ অমৰেন্দ্ৰক পতিৰূপে পাবলৈ বিচাৰে।

ৰাজকুঁৱৰীৰ কথা শুনি অমৰেন্দ্ৰ বিস্ময়াহত! তাৰ পাছত অমৰেন্দ্ৰই ৰাজকুঁৱৰীৰ চকুলৈ স্থিৰ দৃষ্টিৰে চাই ক'লে. "তুমি হ'লা ৰজাৰ কুঁৱৰী, আৰু মই সাধাৰণৰো সাধাৰণ—সামান্য মানুহ।"

ৰাজকুঁৱৰী চন্দাই মিঠাকৈ হাঁহিৰে ক'লে, "ৰজাতকৈ শিল্পীৰ মৰ্য্যাদা কোনোগুণে কম নহয়, বৰঞ্চ অধিক।"

"কিন্তু—এই বিবাহৰ কাৰণে তোমাৰ পিতাদেউৰাৰ সন্মতি লাগিব নিশ্চয়। মই আজিৰপৰা সাতদিন ইয়াত ৰৈ থাকিম। তুমি এই বিবাহৰ সন্মতিৰে সৈতে অহা সাত দিনৰ ভিতৰত মোক পুনৰ লগ ধৰিবাহি।" অমৰেন্দ্ৰই ক'লে।

কিন্তু অমৰেন্দ্ৰই ৰাজধানীত সাত দিন

ছন্দ হেৰুৱাই সেই কৰ্মৰত মহাভাস্কৰলৈ পলকহীন হৈ চাই ৰ'ল···চায়েই ৰ'ল। আৰু সেই ক্ষণতে ৰাজকুঁৱৰীৰ মনতে প্ৰেমৰ নিজৰা বৈ গ'ল ····।

সেই দিনেই শেষ দিন নহয়, মহাশিল্পী অমৰেন্দ্ৰৰ প্ৰেমমুগ্ধ ৰাজকুঁৱৰী চন্দাই প্ৰায় প্ৰতিদিনেই নিৰ্মীয়মান নৃত্যশালা চাবলৈ যোৱাৰ ছলতে মহাশিল্পী অমৰেন্দ্ৰক চাবলৈ যোৱা হ'ল। অমৰেন্দ্ৰৰ সৈতে শিল্পকলা তথা ভাস্কৰ্য্যৰ বিষয়ে আলোচনা কৰা হ'ল। কিন্তু তথাপি তেওঁৰ মনৰ কথাটো অমৰেন্দ্ৰক ক'ব নোৱাৰা হ'ল।

কিছুদিনৰ অন্তত- নৃত্যশালাৰ

অতিবাহিত নকৰি চাৰিদিনৰ দিনাই হঠাৎ ৰাজধানী এৰি পোনে পোনেই নিজৰ গাঁৱলৈ গুচি গ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্য ৰজাক সুধিলে, "হে ৰাজন্! অমৰেন্দ্ৰৰ বাস্তৱ বুদ্ধি একেবাৰেই নাছিলনে? কেৱল আবেগ-চালিত হৈহে তেওঁ শিল্পীজীৱন অতিবাহিত কৰিছিলনে? ৰাজকুঁৱৰীক সাতদিনৰ সময় প্ৰদান কৰিও চাৰিদিনৰ দিনাই গুচি যোৱাটোক চূড়ান্ত অভদ্ৰতা বুলি ক'ব নোৱাৰিনে? মোৰ এই প্ৰশ্নসমূহৰ সঠিক উত্তৰ জানিও যদি নিদিয়া—তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব বুলি ধ্ৰুৱকৈ জানিবা।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "অমৰেন্দ্ৰ—তুমি কোৱা মতে বাস্তৱ বুদ্ধিহীন নাছিল, বা কেৱল আবেগ-চালিত শিল্পীও নাছিল। অমৰেন্দ্ৰই ৰাজকুঁৱৰী ছন্দাক সাতদিনৰ সময় দিছিল মহাৰাজৰপৰা বিবাহৰ সন্মতি লাভৰ বাবে। কিন্তু—মহাৰাজে এই বিবাহত তেওঁৰ সন্মতি প্ৰদান কৰাহেঁতেন এদিনতে, বা বৰ বেছি দুদিনৰ ভিতৰতে সেই সন্মতি নিশ্চয় দিলেহেঁতেন। তথাপি মহাশিল্পী অমৰেন্দ্ৰই তাত তিনিদিনলৈ ৰাজকুঁৱৰীৰ বাবে বাট চাইছিল। তাৰ পাছতো আৰু বৈ থকাৰ কোনো যুক্তি বাস্তৱিকতেই নাছিল বুলিয়েই চাৰিদিনৰ দিনা তেওঁ ৰাজধানী এৰি পোনে পোনেই গাঁৱলৈ গুচি গৈছিল। গতিকে—অমৰেন্দ্ৰক বাস্তৱতাৰ বোধ বৰ্জিত এক বুদ্ধিহীন তথা অবিবেচক বুলি একোপধ্যেই ক'ব নোৱাৰি।"

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ সাউতকৰে পুনৰ সেই গছলৈ উভতি গ'ল আৰু শ'টো সেই আওপুৰণি গছজোপাৰ প্ৰকাণ্ড ডালত পুনৰ ওলোমাই থোৱা হ'ল। [কল্পিত



তেল-টেঙাৰ কিমান দাম

চহৰত থাকি উচ্চশিক্ষা সমাপ্ত কৰাৰ অন্তত শিৱ তাৰ গাঁৱৰ ঘৰলৈ উভতি আহিল। শিৱৰ দেউতাক বহু দিনৰ আগতেই স্বৰ্গী হৈছিল, তাৰ মাকে তাক তুলি-তালি ডাঙৰ-দীঘল কৰি উচ্চ-শিক্ষালৈকো উৎসাহিত কৰিছিল।

গাঁৱলৈ উভতি অহাৰ পাছত শিৱই তাৰ মাকক ক'লে, "মা, কিবা ধৰণৰ চাকৰি এটা যোগাৰ কৰিব লাগিব।"

শুনি, ভাল পাই, তাৰ মাকে তাক ক'লে, "বোপা, তুমি আমাৰ জমিদাৰৰ তালৈ যোৱা, নিশ্চয় কিবা এটা মিলিব। তাত চাকৰি এটা যাতে পোৱা, তাৰ বাবে তোমাৰ দেউতাৰৰ বন্ধু ধনঞ্জয়ে নিশ্চয় তোমাক সহায় কৰিব। ধনঞ্জয়ো ৰঘুনাথ-পুৰৰে মানুহ, তুমি তেওঁৰ তালৈ যোৱা।"

পাছদিনাই শিৱ ধনঞ্জয়ৰ কাষ চাপিল। শিৱৰপৰা সকলো কথা শুনাৰ অন্তত ধনঞ্জয়ে ক'লে, "তোমাক এই বাবে সহায় কৰি দিয়াটো মোৰ কৰ্তব্য। কিন্তু মস্কিল হ'ল যে—তাত ভৈৰৱ নামৰ যিজন দেৱান আছে, সেই দাম্ভিক দেৱানে জমিদাৰক উঠ্ বুলিলে উঠে, বহ্ বুলিলে বহে। আন কাৰো-কোৰো কথালৈ জমিদাৰে মন-কাণ নিদিয়ে।"

"সেই ভৈৰৱ দেৱানক ভালৰি বোলোৱাৰ কিবা উপায় আছেনে?" শিৱই ক'লে, "ফালেডীৰ লগত ফালেডী মাৰিলেও দোষে নুছুব।"

"সি ভৈৰৱে নিজক বৰ গোঁফাল-নেজাল বুলি ভাবে, আৰু যেইকোনো মানুহেই তাৰ ঠেঙৰ চেপা গোলামহৈ

'ৰংগনাথ'

থাকক—ইয়াকেহে তাক লাগে।"

"ঠিক আছে, তেওঁক এবাৰ টুকুৰিয়াই চাৱঁই। মোক আশীৰ্বাদ কৰক।" এই বুলি কৈ, পিতৃবন্ধুক প্ৰণাম কৰি শিৱ পোনে পোনেই জমিদাৰৰ তালৈ গ'ল।

তাত, অৰ্থাৎ জমিদাৰ যিখন চহৰত আছিল, তাত উমাপতি নামৰ শিৱৰ বন্ধু জজন আছিল। শিৱই উমাপতিক ক'লে যে—যেনেতেনে ভৈৰৱদেৱানক হাত কৰি ল'ব লাগিব, তেহে চাকৰি।

তাৰ পাছত দুয়ো মিলি আঁচনি এটা পাঙিলে। আৰু—সেই আঁচনিমতেই পাছদিনা শিৱ জমিদাৰৰ তালৈ গৈ ভৈৰৱ দেৱানক লগ কৰিবলৈ চেষ্টা কৰিলে।

চাকৰ এটাই শিৱক ভৈৰৱৰ ওচৰলৈ লৈ গ'ল। শিৱই অতি বিনম্ৰতাৰে ভৈৰৱ দেৱানক প্ৰণাম কৰিলে আৰু নিজৰ শিক্ষাগত যোগ্যতাৰ কথা কৈ, শেষত ক'লে, "মহাশয়! দয়া কৰি আপোনাৰ অধীনত মোক কিবা এটা চাকৰিত মকৰল কৰি প্ৰাণৰক্ষা কৰক।"

ভৈৰৱ দেৱানে এবাৰ মাত্ৰ চকু দাঙি শিৱলৈ পলকমান চালে আৰু ক'লে, "চাকৰি বিচাৰি — ভালেমানেই নিতৌ মোৰ ওচৰ চাপেহি। কিন্তু—কিমানকনো মই চাকৰি দিম? ঠিক আছে, শুনিলোঁ তোমাৰ কথা, কৰিম চেষ্টা, কাইলৈ আহিবা, দেখা যাব।"

শিৱই উমাপতিক ক'লেগৈ কথাখিনি।

উমাপতিয়ে ক'লে, "আমিও কথা ঠিক এনেকুৱাই কিবা হ'ব বুলি ভবা নাছিলোঁনে? ঠিক আছে, তুমি কাইলৈ আকৌ ভৈৰৱদেৱানৰ ওচৰলৈ যাবা, তাৰ পাছত আমি আমাৰ আঁচনিমতে কাম কৰি থাকিম।"

পাছদিনা কিন্তু শিৱই পটকৈ ভৈৰৱ-দেৱানক লগ নাপালে। প্ৰায় পাঁচ ঘণ্টামানৰ পাছত ভৈৰৱে শিৱক মতাই নিয়ালে আৰু তাক ক'লে, "কাইলৈ'

আক' আহিব, দেখা যাওক তোমাব কাৰণে কি কৰিব পাৰোঁ।"

পাছদিনা শিৱই গৈয়েই ভৈৰৱ দেৱানৰ দৰ্শন পালে। তেতিয়া চাৰিজন ডাঙৰ ডাঙৰ মানুহে ভৈৰৱ দেৱানক জোৰছে তেলটেঙা ঘঁহি আছিল।

টিক তেতিয়াই উমাপতিও তাত ওলালগৈ। উমাপতিয়ে চাৰিওফালে সাৱধানী দৃষ্টিৰে চাই চাই কিবা বিচাৰি থকা যেন লাগিছিল। শিৱই উমাপতিক ক'হি, "ক থা নো কি? তুমি যে ইয়ালৈ—? কাক বিচাৰিছানো?"

"কানো নহয়—মানে—ৰামদাদাকহে বিচাৰি আছোঁ। ৰামদাদাই মোক ইয়াত চাকৰি এটা দিয়াব বুলি কৈছে।" উমাপতিয়ে ক'লে।

শুনিয়েই ভৈৰৱ গুজৰি উঠিল, "কি! কি ক'লাহে তুমি? মোক নোকোৱা-নেমেলাকৈ কোনেনো তেমাক ইয়াত চাকৰি দিব বুলি মাতি আনিছেহে!"

উমাপতিয়ে ভৈৰৱক সুধিলে, "পিছে—আপুনিনো কোন?"

যেনিবা জ্বলা জুইত ঘিউ পৰিল। ভৈৰৱে ভৈৰৱমূৰ্তি ধৰা দেখি শিৱই উমাপতিক ক'লে, "কোনহে তুমি এওঁ কোন বুলি সুধিছা? এই জমিদাৰীত এখেতৰ কথাৰ ওপৰত মাত মাতিবৰ দাঁত যে আন নালাগে—স্বয়ং জমিদাৰৰো নাই—তোমাৰ বাহিৰে আন সকলোটিয়েই ইয়াত জানে আৰু কথাটো মানে।"

"তোমাকো কোনটো ৰাম দাদানে ৰামগাধই ইয়াত চাকৰি দিয়ে চাম নহয় মই—?" ভৈৰৱে ভেকাহি মাৰি উমাপতিক ক'লে। তাৰ পাছ মুহূৰ্ততে শিৱক ক'লে' "বোপা, তুমি কাইলৈ আগবেলাতে আহিবা। তোমাক মই কামত ল'লোঁ।"

তেল-টেঙাৰ যে কিমান দাম—শিৱই তাৰ জীৱনত প্ৰথমবাৰৰ বাবে জানিলে।

চান্দমামা ক্রোড়পত্র-৫৩

ভাৰতৰ পশু-পক্ষী:

ৰঙ্গীণ ৰঙিয়াল নিমাতী বগলী



আমাৰ দেশৰ বগ-বগলীৰ মাজত ৰঙীণ বগলীও নথকা নহয়। ৰঙীণ বগলীৰ দেহ হয় বাৰে-বৰণীয়া। কিছুমানৰ দেহত বগাৰ লগত হালধীয়া ৰঙো পৰিলক্ষিত হয়। ডেউকাত ক'লা ক'লা ছাপ থাকে, পুচ্ছৰ ফালে থাকে গুলপীয়া ৰঙা। দেহৰ অ'ত ত'ত ডাঠ সেউজীয়া ৰঙো পৰিদৃষ্ট হয়।

এই ৰঙীণ বগলীও অন্যান্য বগ-বগলীৰ দৰেই পানীৰপৰা মাছ-পোক-পৰুৱা-কেঁকোৰা আদি ধৰি ধৰি খায় আৰু কোমল বোকামাটিত ঘূৰি-ফুৰি থকা দেখা যায়।

পানীৰ ওপৰত থকা গছত ইহঁতে বাহ সাজে। ইহঁতৰ বাহ ডাঙৰ আকাৰৰ আৰু চাফ চিকুণ হয়। একো একোজোপা গছত সাধাৰণতঃ বিছটা মান বগলীৰ বাহ থাকে। বাহবোৰ ধুনীয়া আৰু মজবুত।

ইহঁত সাধাৰণতঃ পানীৰ ওচৰতে থকা গছৰ ডালত বহি থাকে। মাজে মাজে ডেউকা মেলি কিছু পৰলৈ উৰে আৰু আকৌ বহে। গোটেই দিনটোৰেই এই উৰণ আৰ বহনৰ প্ৰক্ৰিয়া চলি থাকে।

ৰঙীণ বগলীয়ে মাত-বোল কৰিব নোৱাৰে। তাৰ কাৰণে-ৰঙীণ বগলীবোৰ সদা-সৰ্বক্ষণেই নিমাত হৈ থাকে। কেতিয়াবা কেতিয়াবা অতি ধীৰ অতিশয় অস্পষ্ট বতাহৰ কাণে কাণে কোৱাবিধৰ এবিধ ক্ষীণ মাত ডিঙিৰপৰা ওলায়। কিন্তু সেই মাত ইমানেই অস্পষ্ট যে কাণেৰে প্ৰায় শুনিয়েই।

সাহিত্যৰ দৰ্পণত আজিৰ ভাৰত

“আউসীৰ মাজনিশা, হাতত চাকি এটি লৈ, নিমজ এন্ধাৰৰ মাজেদি গৈ থাকোঁতে হঠাৎ সেই চাকিটো নুমাই যোৱা যেন লাগিল……।” ভাউ নামৰ সৰু ল’ৰাটোৰ মাক যেতিয়া ঢুকাল, তেতিয়া তাৰ মনত এনেকুৱা যেনেই লাগিছিল।

পুনা নগৰৰ এই বালকটিৰ পিতাক ৰামোজী বহু দিনৰ আগতেই ঘৰ-সংসাৰ এৰি গুচি গৈছিল। দুষ্ট গ্ৰহৰ প্ৰভাৱ যেতিয়া নোহোৱা হ’ব, তেতিয়া সি নিশ্চয় কোনোবাদিনা কৌটিপতি হ’বই হ’ব—এই কথাৰে সপোন সাজি ভাউৱে অ’লৈ ত’লৈ

হৰিনাৰায়ণ আপ্‌টেৰ উপন্যাস ‘মী’ অৰ্থাৎ ‘মই’

অনাই-বনাই ফুৰে, কিন্তু দুষ্টগ্ৰহ নোহোৱা-হোৱাৰ কোনো লা-লক্ষণেই দেখা নাযায়।

ভাউৰ বায়েক গংগী বয়সত আছিল ভাউতকৈ ডেৰ বছৰৰ ডাঙৰ। তাইক বিয়া কৰাইছিল প্ৰৌঢ় মানুহ এজনে, যিজনৰ আগৰ—এজনী নহয়, দুজনী পৰিবাৰেই সিপুৰীয়া হৈছিল। গতিকে—বিবাহ-বিশাৰদ এই মানুহজনে তেওঁৰ তৃতীয় পৰিবাৰ গংগীক ক্ৰীতদাসীতকৈ অধিক মৰ্য্যাদা দিয়াত নাছিল। কিছুদিনৰ পাছত—এই পতিৰূপী মতিচ্ছন্নটোৰ অত্যাচাৰ সহিব নোৱাৰি গংগী পতি-ত্যাগিনী হৈ ভায়েক ভাউৰ ওচৰলৈ উভতি আহিল।

ভাগ্যক্ৰমে ভাউ আৰু পতি-ত্যাগিনী গংগীয়ে শিৱৰাম নামৰ মহৎ অন্তঃকৰণৰ ব্যক্তি এগৰাকীৰ আশ্ৰয় লাভ কৰা হ’ল। শিৱৰাম আছিল এক আদৰ্শৱান পুৰুষ আৰু তেওঁৰ আদৰ্শৰ সৈতে তেওঁৰ পত্নীও আছিল সহমত।

শিৱৰাম-দম্পতিৰ একমাত্ৰ কন্যাসন্তান হ’ল সুন্দৰী। তাই দেখাতো সুন্দৰী, নামতো। আৰু তায়ো তাইৰ দেউতাকৰ আদৰ্শৰ অনুসাৰী।

শিৱৰাম ডাঙৰীয়াই ভাউ আৰু গংগীৰ বাবে বিদ্যাশিক্ষাৰ কিঞ্চিত বন্দৱস্ত কৰিলে। তেতিয়াৰ কালত নাৰীশিক্ষাৰ বিষয়ে সমাজখন আছিল প্ৰতিকূল। তথাপি, এই প্ৰতিকূলতাক শিৱৰাম-পৰিয়ালখনে হাঁহিমুখেৰেই সহ্য কৰিছিল।

ভাউ যথেষ্ট ওখ-পাখও হ’ল, পঢ়া-লিখা শিকি উকীলো হ’ল। উকীল হ’ল—কিন্তু জীৱিকাতকৈ ভাউৱে সামাজিক দোষ-ত্ৰুটি গুচোৱাতহে অধিককৈ মন দিয়া হ’ল। এই কাৰ্য্যৰ অন্যতম অংগ হিচাপে ভাউৱে এখন আলোচনীৰ সম্পাদনাৰ ভাৰও ল’লে। ফলত ভাউৰ ভালেমান হোৱাৰ লগে লগে শত্ৰুসৃষ্টিও নোহোৱাকৈ নাথাকিল।

এই কথাত ভাউ দুঃখিত। সমগ্ৰ সমাজখনৰ ভাললৈ কাম কৰিও যে কেনেকৈ আৰু কিয় শত্ৰুৰ সৃষ্টি হয়! যি কি নহওক—তথাপি—আজীৱন ব্ৰহ্মচাৰী হৈ থাকি সমাজৰ মংগলৰ হকে কাম কৰি থাকিব বুলি ভাউ মনতে প্ৰতিজ্ঞাৱদ্ধ হ'ল।

কিন্তু এদিন শিৱৰাম ডাঙৰীয়াৰ প্ৰস্তাৱ শুনি ভাব হতচকিত হৈ পৰিল। শিৱৰাম ডাঙৰীয়াই তেওঁৰ জীয়েক সুন্দৰীক বিয়া কৰাবলৈ প্ৰস্তাৱ উত্থাপন কৰিলে ভাউৰ ওচৰত। আশ্ৰয়দাতা শিৱৰাম ডাঙৰীয়াৰ মুখৰ ওপৰত 'নহয়' বুলি কোৱাটোও তাৰ পক্ষে সম্ভৱ নহয়। আৰু—যিমান বুজিছে ভাউৱে—সুন্দৰীজনীয়েও তাকেই ভাল পাই পেলাইছে। তথাপি ভাউৱে শিৱৰাম ডাঙৰীয়া, তেওঁৰ পৰিবাৰ, জীয়েক আৰু গংগীৰ আগত এই প্ৰস্তাৱ নাকচ কৰি দিলে।

তাৰ পাছত ভাউৱে 'ভাৱানন্দ' নাম গ্ৰহণ কৰি, লগত অন্য কিছুমান মুক্ত মনৰ



পৰাৰ্থপৰ মানুহক লৈ সমাজৰ কামতে নিজক সম্পূৰ্ণভাৱে নিয়োজিত কৰিলে।

কিছুদিনৰ অন্তত ভাউৰ শৰীৰ-স্বাস্থ্যও ভালেখিনি পৰি আহিল। কিন্তু তিমানতে ভাউৰ অক্লান্ত প্ৰচেষ্টা, ধৈৰ্য্য আৰু প্ৰেৰণাৰে যে অন্যান্য সমাজকৰ্মীৰ সৃষ্টি হৈছিল, সেই কথা সুঁৱৰি ভাউৱে এদিন শান্তিৰে চকু মুদিলে।

'মী' (মই) নামৰ এইখন আদৰ্শমূলক চিন্তা-চৰ্চাৰে ভৰা উপন্যাস ১৯১৬ চনত মৰাঠী ভাষাত প্ৰকাশিত হৈছিল। উপন্যাসকাৰৰ নাম হৰিনাৰায়ণ আপ্‌টে। আত্মকাহিনীৰ ৰূপত তেওঁ ভাৰতীয় সমাজৰ দোষ-ত্ৰুটিলৈ আঙুলিয়াই দিগ-দৰ্শনো কৰিছিল সমাজৰ শুদ্ধতাৰ বাবে। মৰাঠী ভাষা-সাহিত্যত এই উপন্যাসৰ প্ৰভাৱ আজিও পৰিলক্ষিত হয়।

আমি জানো নে ?

১. প্ৰাচীন কালৰ মিছৰদেশত মৃতদেহক সুৰক্ষিত কৰাৰ বাবে ভাৰতবৰ্ষৰা এবিধ বিশেষ বস্ত্ৰ লৈ যোৱা হৈছিল। সেই বস্ত্ৰক কি বস্ত্ৰ বোলে ?
২. পচিমীয়া দেশত কাক 'বৈদ্য-পিতামহ' বুলি কোৱা হয় ?
৩. ইলোৰাৰো আগতে এক হিন্দু মন্দিৰৰ নিৰ্মাণকাৰ্য্যত এশ বছৰৰ সময় লাগিছিল। সেই মন্দিৰৰ নাম ?
৪. পয়গম্বৰ মোহম্মদৰ জন্মস্থানৰ নাম কি ?
৫. 'পাউনাৰ আশ্ৰম' কোনে স্থাপন কৰিছিল।
৬. বংগদেশৰ কোনোবা এগৰাকী মুছলমান শাসকে 'মহাভাৰত' বাংলা ভাষালৈ অনুবাদ কৰিবলৈ আদেশ প্ৰদান কৰিছিল। সেই মুছলমান শাসকগৰাকী কোন ?
৭. ইউনেস্কোৰ তত্বাৱধানত সৰু সৰু ল'ৰা-ছোৱালীৰ বাবে পৰ্য্যটন কৰি ফুৰা অভিনেত্ৰী এগৰাকীৰ সম্প্ৰহতে মৃত্যু হ'ল। তেওঁৰ অভিনীত প্ৰথমখন বোলছবিয়েই 'অস্কাৰ পুৰস্কাৰ' লাভ কৰিছিল। সেই অভিনেত্ৰীগৰাকীৰ নাম কি ? তেওঁৰ অভিনীত বোলছবিখনৰ নাম কি ?
৮. কোন কোন দেশত পোনপ্ৰথমে পুতলা নাচ নামৰ খেল প্ৰচলিত হৈছিল ?
৯. কুতুবমিনাৰ, তাজমহল, খজুৰাহো, অজন্তা গুহা আদিৰ মাজত অতি প্ৰাচীন কোনটো ?
১০. অ্যাটম বা পৰমাণু বোমা—সৰ্বপ্ৰথমে কেতিয়া আৰু ক'ত পেলোৱা হৈছিল ?
১১. কাক সৰ্বপ্ৰথমে 'পৰম বীৰ চক্ৰ' প্ৰদান কৰা হৈছিল ?
১২. লেনিনগ্ৰাদক পুনৰ আগৰ নাম দিয়া হ'ল। সেই নাম কি নাম ?
১৩. আগ্ৰাক আগতে কি নামেৰে অভিহিত কৰা হৈছিল ?
১৪. মায়নামাৰৰ (ব্ৰহ্ম বা মানদেশ) ৰাজধানী নাম ?
১৫. দক্ষিণভাৰতত হিন্দুভক্তসকলকো আকৰ্ষণ কৰা মুছলিম 'দৰ্গা'ৰ নাম কি ?

উত্তৰ

১. মুলমুলখাছ।
২. হিপ'ক্ৰেটিছ।
৩. কৈলাস মন্দিৰ।
৪. মক্কা।
৫. বিনোবা ভাৱে।
৬. মুজৰতশ্বাহ।
৭. আঁদ্ৰে হেপ্‌বাৰ্ন, ৰোম্যান হলিডে'।
৮. ভাৰত আৰু মিছৰদেশ।
৯. অজন্তা গুহা।
১০. ১৯৪৫ চনত, জাপানৰ হিৰোস্বিমা আৰু নাগাছাকিত।
১১. মেজৰ সোমনাথ শৰ্মা (১৯৪৭)।
১২. ছেইণ্টপিটৰ্চবুৰ্গ।
১৩. অকবৰাবাদ।
১৪. য়াংগুন (ৰেংগুন)।
১৫. নাগোৰৰ কাঝিৱালি খাহাবৰ দৰ্গা।

পণ্ডিতৰ পতং

কমলাৱতী গাঁৱত কৈলাশ শাস্ত্ৰী নামৰ এজন অতি নামজ্বলা জ্যোতিষী আছিল। লোকৰ ভৱিষ্যৎ গণনা কৰাৰ লগে লগে গ্ৰহ-পীড়াৰপৰা ৰক্ষাৰ তথা শান্তি-স্বস্ত্যয়নৰ বাবেও কৈলাশশাস্ত্ৰীয়ে তাবিজ-কৱচ দিছিল, পূজাদিৰো দিহা দিছিল।

কৈলাশ জ্যোতিষীয়ে বুকু ফিন্দাই কৈছিল: 'মই যি ক'ম, সেয়ে হ'ব। মই যাক যি কৰিবলৈ ক'ম, কৰিব লাগিব। মোক বিশ্বাস নকৰাক মই শাও দিম।"

এবাৰ দুই-তিনিজন মানুহে কৈলাশ জ্যোতিষীক ধেমালিতে অলপ জোকাই লোৱাত সেই মানুহকেইজন পাছত বৰ আলৈ-আহুকালত পৰিছিল বুলি মানুহকেইজনেই ভাবিছিল আৰু সিহঁতে কৈলাশ শাস্ত্ৰীৰ হাতে-ভৰিয়ে ধৰি দৌতা-বিধতা বুলি কৈ, ক্ষমা প্ৰাৰ্থনা কৰিছিল।

এই মানুহকেইজনৰ কথা বৰকৈ প্ৰচাৰ হোৱাত কৈলাশে বুকু ডাঠি লোকক কৈছিল: 'ভয়ানক কৰ্মপিশাচিনী হ'ল মোৰ বশ। যেৱে যি ভাবে বা চিন্তে— মই গম পাই বাওঁ। মই নিত্য শিৱপূজা কৰাত বাক্‌সিদ্ধ হৈছোঁ।"

কিছুদিনৰ অন্তত সেইখন গাঁৱত দণ্ডৰাজ নামৰ নতুন আনুহ এজন আহিল। দণ্ডৰাজে তাত কিছুখিনি মাটি ল'লে আৰু লগতে গাঁৱৰ ঘৰ এটাও কিনিলে। ঘৰটো কিনাৰ অন্তত গৃহপ্ৰৱেশৰ অনুষ্ঠানৰ বাবে দণ্ডৰাজ পণ্ডিত কৈলাশ শাস্ত্ৰীৰ কাষ চাপিল আৰু ঘৰটোত কিবা 'দায়-দোষ' আছেনে কি—সেই কথা চাফ্ চাফ্‌কৈ কৈ দিবলৈ টানি অনুৰোধ কৰিলে।

উদয়কুমাৰ বৰ্মন

কৈলাশ শাস্ত্ৰীয়ে দণ্ডৰাজে কিনি লোৱা ঘৰটো ভালকৈ পৰীক্ষা কৰি ক'লে, "ঘৰটো কিনাৰ আগতে তুমি মোক কোৱাহেঁতেন বৰ ভাল কৰিলাহেঁতেন। কিন্তু তুমি সেইটি কাম নাকৰিলা। জুই লগাৰ পাছত কুঁৱা খন্দাৰ লাভ কি? ঘৰটোত ঢেৰ দোষ আছে।"

কৈলাশ জ্যোতিষীৰ এই কথালৈ দণ্ডৰাজৰ শাহুৱেকে কৈলাক কেটেৰ-জেঙেৰকৈ কৈ উঠিল, "কি ক'লা—? ঘৰৰ দোষ আছে? গৃহপ্ৰবেশৰ কালত মংগল-বচনহে ক'ব লাগে। তুমি এইবোৰ কিবোৰ বলকিছাহে জুতিষীবাপু? যোৱা যোৱা—আনৰ ভৱিষ্যতৰ কথা বাদ দি নিজৰ নেওঠনীত তেল দিয়াগৈ যোৱা।"

কেঁচাই খোৱা কৈলাশ শস্ত্ৰীয়ে কৈ উঠিল, "আ—চ্ছা! তেনেহ'লে—কৈলাশ শাস্ত্ৰীকো জোকাই লোৱা কোনোবা এজনী ওলাল! ব্বা—ৰু! কি গছৰ গুটি খালে মানুহ মৰে এইবাৰ জানিবা। কাটি কাটি ভেকুৰ দিম, কাণ কাটি তাল বজাম —তেহে জানিবা কাক কি ক'ব লাগে আৰু নালাগে। ইটোৰ পাছত সিটো দেওৰ পূজা কৰি কৰি তহঁতৰ গাত দেও লগাম — ডাকিনী-শাঁকিনীবিলাকক মন্ত্ৰ মাতি তহঁতৰ ঘৰলৈ খুমুৱাম—তেহে নোৰ নাম কৈলাশ। দেখা যাব —"

এই বুলি কৈয়েই খণ্ডতে একোনাই



হোৱা কৈলাশ শাস্ত্ৰীয়ে উচাট মাৰি ঘৰৰপৰা ওলাই আহি আন্ধাৰে-মুন্ধাৰে বেগাই বাটত ভৰি দি এটা গৰুৰগাড়ীৰ লগত খালে মৰ-খুন্দা. পৰিল উবুৰি খাই, লাগিল নাকত, কঁকালত, কপালত। বাটৰুৱা কেইজনমানে কৈলাশ শাস্ত্ৰীক দাঙি তেওঁৰ ঘৰলৈ লৈ গ'ল।

তাৰ পাছত প্ৰায় ছমাহমানলৈ কৈলাশ শাস্ত্ৰী বিছনাত পৰি থাকিল। ইতিমধ্যে দহো ৰাইজৰ মাজত এই কথাই দ'কৈ শিপোৱা হ'ল যে—দণ্ডৰাজৰ শাহুৱেকে মুখেৰে যি কয় তাকে হয়, আনকি কৈলাশহেন জ্যোতিষীৰো বিপদ হয়।

এতিয়াৰপৰা ৰাইজৰ মনত কৈলাশ জ্যোতিষীৰ প্ৰতি ডৰ-ভয় নোহোৱা হ'ল, ডৰ-ভয় সোমাল দণ্ডৰাজৰ শাহুৱেকলৈ. আৰু তাৰ কাৰণে ৰাইজে দণ্ডৰাজৰ শাহুৱেকলৈহে দান-দক্ষিণা দি থাকিল।

কৈলাশ শাস্ত্ৰী যেতিয়া সম্পূৰ্ণ সুস্থ হৈ উঠিল, তেতিয়া তেওঁ তেওঁৰ পৰিবাৰক ক'লে, "গাঁৱৰ ৰাইজৰ ধাৰণা হৈছে যে—সেই তিৰোতাজনীৰ মাজত কিবা ধৰণৰ মন্ত্ৰশক্তি আছে। সেইদিন গাড়ীখনেই মোক আন্ধাৰে-মুন্ধাৰে খুন্দিয়ালেনে ময়েই খঙতে একো নেদেখা হৈ গাড়ীখনক খুন্দিয়াইছিলোঁগৈ—একো মনত পৰা নাই মোৰ। পিছে—এতিয়া মই সহস্ৰ-ৰুদ্ৰাভিষেক কৰি সেই দন্দুৰী তিৰোতা-



জনীক ভালকৈ এসেকা দিম। তাইক মই মন্ত্ৰ-বাণেৰে একেবাৰে মাত-বোল কৰিব নোৱৰা কৰি পেলাম। সহস্ৰৰুদ্ৰাভিষেক পূজাৰ যা-যোগাৰ কৰাচোন খৰখেদাকৈ। দন্দুৱীয়ে যে মৰিবৰ ঔষধ গলত বান্ধি লৈছিল—এইবাৰ তাইক কাটি কাটি ডেকুৰ দিব্ জাম—তাই বাঁৰীক এইবাৰ মই পানী পানীকৈ শিকাম তেহে মোৰ নাম।"

কৈলাশ শাস্ত্ৰীৰ হাঁহিমুখীয়া পত্নীবাৰে শান্ত কণ্ঠেৰে ক'লে, "কাজিয়া—বা বন্ধুতা সমানে সমানে কৰিব লাগে। আপুনি পূজা নিদিয়াকৈ — দেও-ভূত ডাইনী-শাঁকিনীহঁতক নমতাকৈ কাৰো কোনো অনিষ্ট ব ইষ্টও কৰিব নোৱাৰে। কিন্তু সেই বাঁৰী তিৰোতাজনীয়ে কেৱল তেওঁৰ মুখৰ কথাৰেইহে এনেবোৰ কাম হেলাৰঙে কৰিব পাৰে দেখোন! মোৰ কথা বাদেই দিয়াক, ৰাইজৰ দৃষ্টিতো আপোনাতকৈ এতিয়া সেইজনী তিৰোতায়েই ঢেৰ ডাঙৰ হ'ল। গতিকে —আপুনি তেওঁৰ সৈতে শত্ৰুতাৰ সলনি বন্ধুতা কৰিলেহে ভাল। আৰু যে আপোনাৰ পূজা—মন্ত্ৰশক্তিৰ প্ৰকাশ— এইবোৰ মহৎ কামৰ কাৰণে ব্যৱহাৰ কৰক। প্ৰকৃত পণ্ডিতে লোকৰ অনিষ্ট কৰাৰ বাবে কিলাকুটি চাঁচিব নাপায়।"

পত্নীবাৰৰ কথাত কৈলাশ শাস্ত্ৰী ভাবিত হৈ পৰিল। ইমান ডাঙৰ পণ্ডিত হৈ বাস্তৱিকতে লোকক ডৰ-ভয় দেখুৱাই ফুৰালে যে মূৰ্খাদপি মূৰ্খৰ কাম হৈছে, সেই কথা আন্তৰিকভাৱে উপলব্ধি কৰি পণ্ডিত জ্যোতিষী কৈলাশ শাস্ত্ৰীদেউ ইমান দিনৰ অন্তত লজ্জিত হৈ পৰিল আৰু সিদিনাৰে-পৰাই পাণ্ডিত্যেৰে সমূহ ৰাইজৰ মংগল কৰিবলৈ মনত প্ৰতিজ্ঞা ল'লে।

এইখন গাঁৱত থকাটো তেওঁৰ পক্ষে বৰ অপমানজনক হোৱা যেন পাই পণ্ডিতে আন এখন গাঁৱলৈ বুলি পতং দিলে।





ভগৱান কেনে

প্ৰায় দুশ বছৰৰ আগৰ কথা। কেৰল ৰাজ্যৰ তালগোড়ু নামৰ গাঁৱত পাৰ্বতাম্মা নামৰ এজনী ঘৰিণী আছিল। পাৰ্বতাম্মাৰ গিৰিয়েক ৰামকুট্টি আছিল ৰাজদৰবাৰৰ কৰ্মচাৰী। তেওঁ যে কেতিয়া কামলৈ ওলাব কেতিয়া-কোনদিনা ঘৰলৈ উভতিব তাৰ কোনো ঠিক-ঠাক নাছিল।

পাৰ্বতাম্মা আছিল ভগৱান সুব্ৰহ্মণ্যস্বামীৰ ভক্ত। তাই ভগৱান সুব্ৰহ্মণ্যস্বামীৰ পূজা কৰি ঘণ্টাৰ পাছত ঘণ্টা অতিবাহিত কৰিছিল। পাৰ্বতাম্মাই সুব্ৰহ্মণ্যস্বামীলৈ প্ৰাৰ্থনা কৰিছিল: "হে স্বামী সুব্ৰহ্মণ্য! তুমি দয়াকৰি মোক দৰিশন দিয়া প্ৰভু! মোৰ হাতৰ প্ৰসাদ আহাৰ কৰি মোৰ জীৱন ধন্য কৰাঁহি।"

পাৰ্বতাম্মাৰ প্ৰাৰ্থনা মন্দিৰৰ পূজাৰীয়ে শুনে। শুনে—পাৰ্বতাম্মাৰ অবোধতাৰ পূজাৰীয়ে হাঁহে।

এদিন পাৰ্বতাম্মাই যেতিয়া সুব্ৰহ্মণ্যস্বামীৰ মূৰ্তিৰ পিছফালত লুকাই থকা পূজাৰীয়ে পাৰ্বতাম্মাৰ প্ৰাৰ্থনাৰ উত্তৰত ক'লে, "হে ভক্তিমতী! আজি সূৰ্য্যাস্তৰ লগে লগে তোমাৰ মনোবাসনা মই পূৰ্ণ কৰিম।"

পাৰ্বতাম্মাই এই উক্তি সাক্ষাৎ ভগৱান সুব্ৰহ্মণ্যস্বামীৰ উক্তি বুলি গণ্য কৰি তেতিয়াই ঘৰ চাফ-চিকুণ কৰি বিধোবিধ উপাদেয় খাদ্য ৰান্ধিলে আৰু সকলো আয়োজন সম্পূৰ্ণ কৰি, আবেলি পৰতে আজৰি হৈ, স্বয়ং ভগৱান সুব্ৰহ্মণ্যস্বামীৰ আগমনলৈ বাট চাই থাকিল।

অলপ পাছত 'পণ্ডাৰ' নামৰ মগনিয়াৰ



এটা তালৈ আহিল আৰু 'জয় সুব্ৰহ্মণ্য !' বুলি কৈ পাৰ্বতাম্মাৰ আগত থিয় হ'ল। পাৰ্বতাম্মাই মগনিয়াৰটোকে বৰ আগ্ৰহৰে ক'লে, "আহক ! আহক স্বামী মোৰ !"

শুনি মগনিয়াৰটোৱে ভেবাচেকা খাই কৈ উঠিল, "মই মানে—মই এটা মগনিয়াৰহে। মই ভিক্ষা খুজি আহিছোঁ।"

কিন্তু পাৰ্বতাম্মাই নেৰিব তাক। হাতত ধৰি ঘৰৰ ভিতৰলৈ লৈ যোৱাৰ পাছত পাৰ্বতাম্মাই মগনিয়াৰটোক আথে-বেথে বহুৱাই দীঘল দি পৰি প্ৰণাম কৰিলে আৰু তাৰ পাছত পঞ্চদশ ব্যঞ্জনেৰে মগনিয়াৰটোৰ আহাৰ্য্য সজাই দিলে।

আহাৰ্য্যখিনি আছিল অতি জুতি লগা, সি বেটা মগনিয়াৰে জীৱনতো খাই নোপাৱা। গতিকে—সি টকালি পাৰি পাৰি লাহে লাহে খাবলৈ ধৰিলে।

আৰু ঠিক এনেতে ঘৰৰ দুৱাৰত হঠাৎ খটখটনিৰ শব্দ উঠিল।

মন্দিৰৰ পুজাৰীয়ে নিজক ভগৱান সুব্ৰহ্মণ্যৰদৰে সজাই পাৰ্বতাম্মাৰ ঘৰলৈ আহিছিল। এইবাৰ পাৰ্বতাম্মাই নিজৰ ভুল বুজি পালে। কিন্তু মগনিয়াটোৰে তাইক ফাঁকি দিয়া নাছিল, সি যে এটা ভিখাৰী মাথোন—কৈছিল সি। গতিকে — পাৰ্বতাম্মাই মগনিয়াৰটোক একো নক'লে। মাত্ৰ—তাক ঘৰৰ ইটো-সিটো অব্যৱহৃত বস্তু-বাহানি থোৱা সৰু এন্ধাৰ কোঠা এটাত সুমুৱাই থৈ দিলে আৰু তাক ইয়াত মনে মনে থাকিবলৈ ক'লে।

তাৰ পাছত পাৰ্বতাম্মাই ভগৱান সুব্ৰহ্মণ্যৰূপী মন্দিৰৰ পূজাৰীকো আথে-বেথে বহুৱাই পঞ্চদশ ব্যঞ্জনেৰে খুৱালে। কিন্তু ঠিক তেতিয়াই ঘৰৰ বাহিৰত ঘোঁৰাৰ খুৰাৰ শব্দ উঠিল।

পাৰ্বতাম্মাই কিঞ্চিত শেঁতাপৰা মুখেৰে সুব্ৰহ্মণ্যৰূপী পূজাৰীক ক'লে, "প্ৰভু! মোৰ পতি হ'ল নাস্তিক, আৰু বৰ খঙাল

মানুহ। এতিয়াই কামৰূপৰা ভাগৰি-জুগৰি আহিল। অলপ জিৰাই-শঁতাই খাই-বৈ ঠাণ্ডা হোৱালৈকে আপোনাক য'ত থৈ দিম তাতে বহি বা শুই থাকিব, মাত-বোল নকৰিব। তেতিয়া বিপদ হ'ব। "এই বুলি কৈ, মন্দিৰৰ পূজাৰীকো তাই সেই সৰু এন্ধাৰ কোঠাটোত ভৰাই থ'লে।

পূজাৰী ফাপৰত পৰিল, কিন্তু ওলাবৰ কোনো সন্ধি নেদেখি সেই নিকপকপীয়া এন্ধাৰ কোঠাটোৰ লেতেৰাৰো লেতেৰা মজিয়াতে দীঘল দি সুব্ৰহ্মণ্যক সুঁৱৰি শুই থাকিল।

মগনিয়াৰটোৱে জীৱনতো ইমান দন টানি খোৱা নাছিল, গতিকে সি পূজাৰী অহাৰ আগতেই ঘোৰ টোপনিত লাল-কাল দিছিল। চাওঁতে চাওঁতে পূজাৰীয়েও টোপনিত লাল-কাল দিলে।

ইপিনে— পাৰ্বতাম্মাই গিৰিয়েককো পঞ্চদশ ব্যঞ্জনেৰে খাবলৈ দিয়াত বিস্মিত ৰামকুট্টিয়ে যেতিয়া সুধিলে যে কথা কি— তেতিয়া পাৰ্বতাম্মাই ক'লে যে—পতিক পঞ্চদশ ব্যঞ্জনেৰে খুৱাবলৈ তাইক ভগৱান সুব্ৰহ্মণ্যস্বামীয়ে সপোনত আদেশ প্ৰদান কৰিছিল, আৰু আজি যে ৰামকুট্টি ঘৰলৈ আহিব — সেই কথাও সপোনতে জানিছিল। সেইহে এই আয়োজন।

তাৰ পাছত দুয়ো শুলেগৈ।

মাজনিশা—'পানী!' 'পানী'— বুলি



কৈ কৈ মগনিয়াৰটোৱে চিঞৰি থকাত ধহমহকৈ সাৰ পাই গ'ল। ৰামকুট্টিও পাৰ্বতাম্মাই জাগি উঠিল।

ৰামকুট্টিয়ে পাৰ্বতাম্মাক সুধিলে, "কোনেনো চিঞৰিছে ?"

এই কথাৰ উত্তৰত পাৰ্বতাম্মাই ক'লে, "আমি বছৰেকীয়া পিতৃ-দিৱস যে পালন কৰা নাই—তাৰ বাবে পিতৃৰ আত্মাই এনেকৈ 'পানী-পানী !' কৈ চিঞৰিছে। মই ইয়াৰ আগতেও কেইবাবাৰো এই চিঞৰ শুনিছিলোঁ।"

মগনিয়াৰটোৱে আকৌ চিঞৰি উঠিল, "পানী ! পানী !"

তেতিয়া পাৰ্বতাম্মাই ক'লে, "হে দেউতা ঈশ্বৰ ! পূব ফালে নাৰিকল আছে, আৰু এফালে আছে ঘূৰণীয়া শিল এটা। নাৰিকল এটা শিলত ভাঙি খাওক—"

মগনিয়াৰটোৱে হাতেৰে খেপিয়াই খেপিয়াই নাৰিকল এটা পালে। তাৰ পাছত নিমজ এন্ধাৰতে ঘূৰণীয়া শিলটো বিচাৰি থাকোঁতে টোপনিয়াই থকা পুজাৰীৰ মূৰটোকে ঘূৰণীয়া শিল বুলি ভাবি পূজাৰীৰ মূৰত জোৰেৰে নাৰিকলটো মাৰিলে আৰু পুজাৰীয়ে 'আইঔ মৰিলোঁ ঔ' বুলি চিঞৰি তালফাল লগাই দিলে।

এইবোৰ চিঞৰ-বাখৰ নিশ্চয় মৃতাত্মাৰ চিঞৰ ভাবি ভয় খাই ৰামকুট্টিয়ে ঘোঁৰাৰ পিঠিত জঁাপ মাৰি উঠি তাৰপৰা পোনে পোনেই ৰাজদৰবাৰলৈ বুলি কাঁড়ৰ গতিৰে ঘোঁৰা চলাই গৈ থাকিল।

তেতিয়া পাৰ্বতাম্মাই মগনিয়াৰটোক আৰু ককবকাই থকা পুজৰীটোকো এন্ধাৰ কোঠাটোৰপৰা বাহিৰলৈ উলিয়াই আনিলে আৰু লগে লগে সিহঁত দুটায়ো ফৰিং ছিটিকা দিলে।

পাৰ্বতাম্মাই ভাবি থাকিল ঃ তেনেহ'লে —ভগৱাননো কেনে ? আচলতে—ভগৱান—মানুহযেনেইনে ?



৩৪

সূৰ্য্যোদয় হ'ল আৰু বানৰে-ৰাক্ষসে পুনৰ যুদ্ধ লাগি পৰিল। ৰাক্ষস-সৈন্যহতে বাণ, গদা আৰু খড়্গেৰে বানৰসৈন্যক কচুকটা কৰিবলৈ ধৰিলে আৰু বানৰসৈন্যহঁতে বিৰাট বৃক্ষ আৰু ডাঙৰ ডাঙৰ শিলৰ চটাৰে ৰাক্ষসসৈন্যহঁতক বধিবলৈ ধৰিলে।

ৰাক্ষসবিলাকে বানৰসেনাক কাবু তথা কাবাৰ কৰিবলৈ ধৰা দেখি ৰামচন্দ্ৰ যুদ্ধ-ক্ষেত্ৰলৈ সোমাই আহিল আৰু অগ্নিৰন্ত-জ্বলন্ত বাণেৰে ৰাক্ষসসৈন্যবিলাকক সংহাৰ কৰি থাকিল। ৰাক্ষসসৈন্যহঁত তেতিয়া একেবাৰে অসহাৰ হৈ পৰিল।

ৰামচন্দ্ৰই তেওঁৰ কাষত থকা সুগ্ৰীৱ, বিভীষণ, জাম্বৱন্ত আৰু হনুমন্তক ক'লে, "এতিয়া, মই যেনেকৈ যি বাণ এৰিছোঁ, মাত্ৰ শিৱজীৰ বাহিৰে আন কোনেও এনেকৈ এই বাণ এৰিব নোৱাৰে।"

ইপিনে — লংকাপুৰীৰ ৰাক্ষসিনীহঁতে ভাবি আছিল অন্য কথা। এই যুদ্ধ বন্ধ কৰিব লাগে—এয়ে আছিল সিহঁতৰ কাম্য। সিহঁতে সিহঁতৰ এনে দুৰৱস্থাৰ বাবে শূৰ্পনখাকে দুষিছিল। শূৰ্পনখা পাপিষ্ঠাই অন্যায় কাম নকৰাহেঁতেন ৰামচন্দ্ৰ আৰু ৰাৱণৰ মাজত আজিৰ এই মহাযুদ্ধ কদাপি নহ'লহেতেন। শূৰ্পনখা পাপিয়সীয়ে ৰামচন্দ্ৰৰ প্ৰতি অন্যায় আসক্তি বোধ কৰি ব্যৰ্থ হৈ ৰাৱণক উত্তেজিত নকৰাহেঁতেন—ৰাৱণে সীতাদেৱীৰ অপহৰণ দূৰৰে কথা,

'শ্ৰীৰামচন্দ্ৰলৈ ইন্দ্ৰৰ সহায়'



সীতাৰ নামটোকো নাজানিলেহেঁতেন আৰু সিহঁতো এনে অথন্তৰত পৰি নিশ্চয় জীয়াতু ভুঞ্জিবলগীয়া নহ'লহেঁতেন। অস্! সিহঁতৰ পক্ষে জীয়াই থকাৰো কোনো অৰ্থ নাই। সিহঁতৰ ৰোদনধ্বনিয়ে লংকাপুৰীৰ আকাশ-বতাহ মথিত কৰি তুলিলে।

এফালে ৰামচন্দ্ৰই আৰু অন্যফালে ৰাৱণ মহাৰজাই যি অগ্নি প্ৰজ্বলিত কৰিলে —তাৰ তাপত সাধাৰণ বানৰ-ৰাক্ষস যি দুৰ্গতি-বিগতিত পৰিছে—সি অবৰ্ণনীয়।

ৰাৱণ মহাৰাজে তেওঁৰ পাৰ্শ্বস্থ মহাপাৰ্শ্ব, মহোদৰ আৰু বিৰূপাক্ষক কৈ আছিল: 'খৰ, কুম্ভকৰ্ণ, প্ৰহস্ত আৰু ইন্দ্ৰজিতক বধ কৰা শত্ৰুহঁতক মই গুদাই নেৰোঁ। সিহঁতক মই নিশ্চয়েই নিৰ্মূল কৰিম। মোৰ বাণে ধৰিত্ৰী আৰু আকাশকো অন্ধকাৰ কৰি তুলিব আৰু বানৰসেনা সম্পূৰ্ণ নিশ্চিহ্ন হ'ব।"

মহাৰাজ ৰাৱণৰ ৰথ আছিল চাৰি অশ্বই কঢ়িউৱা ৰথ। ৰাৱণমহাৰাজ দেখাত সূৰ্য্যৰ দৰে উজলি আছিল। ৰথৰ ওপৰত তেওঁৰ লগত আছিল মহাপাৰ্শ্ব, মহোদৰ আৰু বিৰূপাক্ষ। মহাৰাজ ৰাৱণে বানৰসেনাৰ ব্যূহৰ মাজতে সোমাই তাত ভীম-বিক্ৰমেৰে যুদ্ধাৰম্ভ কৰিলে।

ৰামচন্দ্ৰই যেনেকৈ ৰাক্ষসসৈন্যহঁতক বিধ্বস্ত কৰিছিল, ঠিক তেনেকৈয়েই ৰাৱণ মহাৰাজেও বানৰ সৈন্যবিলাকক বিধ্বংস কৰি থাকিল।

তেতিয়া, এই দৃশ্য প্ৰত্যক্ষ কৰি, সুগ্ৰীৱে বানৰসেনাক ৰক্ষা কৰাৰ বাবে আগুৱান হ'ল আৰু সুগ্ৰীৱে এই দায়িত্ব সম্পূৰ্ণভাবে সুষেণৰ ওপৰত অৰ্পিলে। সুগ্ৰীৱে নিজেও ৰাৱণৰ বিৰুদ্ধে যুদ্ধ কৰি থাকিল আৰু ৰাক্ষসবীৰহঁতক সংহাৰ কৰিবলৈ সাজু হ'ল।

সুগ্ৰীৱৰ এনে প্ৰস্তুতিলৈ প্ৰত্যক্ষ কৰি বিৰূপাক্ষই একে জাঁপে হাতীৰ পিঠিত উঠিল আৰু সেই উদণ্ড হস্তীক বানৰ-

সেনাৰ মাজত সোমাই যাবলৈ আদেশ দিলে। তেতিয়া সুগ্ৰীৱে বিৰূপাক্ষক বধ কৰিবলৈ অগ্ৰসৰ হ'ল। আৰু এজোপা বিশাল বৃক্ষ উপাৰি লৈ সেই বৃক্ষৰ প্ৰহাৰেৰে বিৰূপাক্ষৰ হস্তীৰ মস্তক চূৰ্ণ-বিচূৰ্ণ কৰিলে।

তেতিয়া বিৰূপাক্ষই প্ৰথমে তৰৱাৰি যুদ্ধ আৰু তৰৱাৰিও যেতিয়া নিস্ফল হ'ল—তেতিয়া সুগ্ৰীৱৰ বিৰুদ্ধে মুষ্টি যুদ্ধ কৰি থাকিল। দুয়ো প্ৰাণৰ মমতা এৰি যুঁজি আছিল। হঠাৎ সুগ্ৰীৱৰ মুষ্ট্যাঘাত এটা বিৰূপাক্ষৰ নাক আৰু মুখত পৰিল আৰু তৎক্ষণাৎ বিৰূপাক্ষৰ নাক-মুখৰপৰা ধাৰাসাৰ তেজ ওলাই থাকিল। কিছু সময়ৰ অন্তত ৰাক্ষসবীৰ বিৰূপাক্ষৰ মৃত্যু হ'ল।

বিৰূপাক্ষৰ মৃত্যুৰ অন্তত মহাৰাজ ৰাৱণে বানৰ সৈন্যক নিৰ্মূল কৰাৰ বাবে মহোদৰক পঠালে। কিন্তু মহোদৰকো সুগ্ৰীৱে বধিলে। সুগ্ৰীৱে তেওঁৰ বিৰাট টাঙোনেৰে সাহসী মহোদৰৰ ৰথাশ্ববোৰক বধিলে। তেতিয়া ৰথহীন মহোদৰ ক্ৰোধান্ধ হৈ কঁপিবলৈ ধৰিলে আৰু বিৰাট গদা দাঙি লৈ সুগ্ৰীৱৰ বিৰুদ্ধে যুদ্ধ দিবলৈ ধৰিলে।

চাওঁতে চাওঁতে—সুগ্ৰীৱৰ হাতৰপৰা টাঙোন আৰু মহোদৰৰ হাতৰপৰা বিৰাট-বিশাল গদা খণ্ড-বিখণ্ড হৈ পৰিল আৰু তেতিয়া উভয়ে উভয়ৰ বিৰুদ্ধে মুষ্টিযুদ্ধ কৰিবলৈ ধৰিলে। বহু সময় ধৰি মুষ্টিযুদ্ধ কৰাৰ অন্তত উভয়েই ভাগৰি পৰিল আৰু দুয়োজনেই যুদ্ধক্ষেত্ৰৰ অ'ত ত'ত পৰি থকা অস্ত্ৰশস্ত্ৰ বুটলি ল'লে। তাৰ পাছত দুয়োৰো মাজত লাগি পৰিল তৰৱাৰি যুদ্ধ। আৰু এচেগত সুগ্ৰীৱে তৰৱাৰিৰে মহোদৰৰ মূৰটো ঘচংকৈ কাটি দুছোৱা কৰি পেলালে।

তেতিয়া মহাপাৰ্শ্বয়ো অংগদৰ সেনাবাহিনীৰ ওপৰলৈ দানহ পৰাদি

পৰিছিলহি। অংগদে এটা বিৰাট লৌহ গোলক দাঙি লৈ মহাপাৰ্শ্বলৈ বুলি দলিয়াই মাৰিলে আৰু মহাপাৰ্শ্ব আৰু তাৰ ৰথৰ সাৰথি একেলগেই অচেতন হৈ পৰিল। অচেতন যোদ্ধাক বধিব নাপায়, গতিকে—অংগদেও মহাপাৰ্শ্বক তৎক্ষণাৎ বধিব নোৱাৰিলে। কিন্তু অলপ পাছত যেতিয়া মহাপাৰ্শ্বই চেতনা ঘূৰাই পালে আৰু অংগদৰ পিনে মহাপাৰ্শ্ব পুনৰ প্ৰধাৱিত হ'ল, তেতিয়া অংগদে মহাপাৰ্শ্বক প্ৰতি-আক্ৰমণ কৰি বধ কৰিলে।

এতিয়া আৰু আন উপায় নেদেখি স্বয়ং ৰাৱণ যুদ্ধক্ষেত্ৰত অৱতীৰ্ণ হ'বলৈ সাজু হ'ল। এই যুদ্ধৰ ঘাই ৰামচন্দ্ৰক তেওঁ বধিবই। গতিকে—পোনে পোনেই ৰামচন্দ্ৰৰ পিনে আগ বাঢ়ি থাকিল তেওঁ। যাওঁতে—যিমান বানৰসৈন্যক দেখা পালে সেইবোৰলৈ ৰাৱণে ভ্ৰূক্ষেপো নকৰিলে।

বহু দূৰৰপৰা ৰাৱণ মহাৰাজক সসৈন্যে আগ বাঢ়ি আহি থকা দেখি পাই ৰামচন্দ্ৰয়ো যুদ্ধৰ বাবে প্ৰস্তুতি ল'লে। ৰামচন্দ্ৰৰ লগত লক্ষ্মণো যুদ্ধ কৰিবলৈ সাজু হৈয়েই আছিল।

লক্ষ্মণেই পোনপ্ৰথমে মহাপ্ৰতাপান্বিত মহাৰাজ ৰাৱণলৈ লক্ষ্য কৰি বাণ নিক্ষেপ কৰিলে। কিন্তু কুশল যোদ্ধা ৰাৱণ মহাৰাজে লক্ষ্মণৰ অব্যৰ্থ বাণকো মাজ-বাটতে ব্যৰ্থ কৰি পেলালে। তথাপি লক্ষ্মণে ৰাৱণৰজালৈ টোঁৱাই ধাৰাগাৰ বাণবৃষ্টি কৰি থাকিল। কিন্তু মহাৰাজ ৰাৱণেও হেলাৰঙে সেইবোৰ চোকা চোকা বাণ আদবাটতে ভোটা কৰি থাকিল।

অকস্মাৎ ৰাৱণ মহাৰাজে লক্ষ্মণক এৰি ৰামচন্দ্ৰলৈ টোঁৱাই অসুৰাস্ত্ৰ নিক্ষেপ কৰিলে। কিন্তু ৰামচন্দ্ৰয়ো অৱলীলাক্ৰমে সেই ভয়াবহ মাৰণস্ত্ৰ অসুৰাস্ত্ৰক মুহূৰ্ততে খণ্ড-বিখণ্ড কৰি পেলালে। তেতিয়া ৰাৱণৰজাই সৌৰাস্ত্ৰ নামৰ ভৰনাক অস্ত্ৰ এপাট ৰামচন্দ্ৰলৈ বুলি মাৰি পঠালে।

কিন্তু ৰামচন্দ্ৰই এইবাৰো সেই ভয়ানক অস্ত্ৰপাটক অকামিলা কৰি পেলালে।

তাৰ পাছত সাধাৰণ বাণযুদ্ধ চলি থাকিল। ৰামচন্দ্ৰই তেওঁৰ সাধাৰণৰো সাধাৰণ বাণেৰেই ৰাৱণ মহাৰাজক যথেষ্টৰূপে ঘাইল কৰিলে আৰু তাৰ পাছত অতিপাত ভাগৰ লগাত তেওঁ কিছু সময়লৈ জিৰণ ল'বলৈ মন মেলিলে।

তেতিয়া লক্ষ্মণে বাণেৰে ৰাৱণৰজাৰ ধ্বজা ওফৰাই পেলালে আৰু তেওঁৰ ৰথৰ সাৰথিৰ মুণ্ড খণ্ড-বিখণ্ড কৰি ৰাৱণৰজাৰ ধনু টুকুৰা-টুকুৰ কৰিলে।

লক্ষ্মণ যেতিয়া পৰিশ্ৰান্ত হৈ পৰিল, তেতিয়া বিভীষণৰ ওপৰত অগ্নিসম ক্ৰুদ্ধ হৈ উঠিল আৰু বিভীষণলৈ টোঁৱাই এক অতিভয়ংকৰ অস্ত্ৰ নিক্ষেপ কৰিলে। কিন্তু লক্ষ্মণে সেই অস্ত্ৰপাট চকুৰ পচাৰতে চূৰ্ণ-বিচূৰ্ণ কৰিলে।

তাৰ পাছত মহাৰাজ ৰাৱণে যেতিয়া তাতোকৈ ভয়ানক অস্ত্ৰ-শস্ত্ৰ উলিয়াল ল'লে, তেতিয়া ৰাৱণৰজাৰ প্ৰজ্বলিত কোপৰপৰা বিভীষণক ৰক্ষা কৰিবলৈ লক্ষ্মণে বিভীষণক ঢালৰ দৰে আঁৰ কৰি থিয় দিলে, যাৰ ফলত ক্ৰোধান্ধ ৰাৱণৰজাই একোপধ্যেই বিভীষণক বধিব নোৱাৰি গুজৰিবলৈ ধৰিলে।

গাত ৰণচণ্ডী উঠা ৰাৱণ মহাৰাজে লক্ষ্মণক ক'লে, "তুমি সেই ঘৃণ্য গৃহশত্ৰু বিভীষণক ৰক্ষা কৰাৰ বাবে তাক আঁৰ কৰি দণ্ডায়মান হৈছাহি। গতিকে— গৃহশত্ৰু বিভীষণৰ প্ৰতি প্ৰযুক্ত হ'ব ধৰা মহাস্ত্ৰ এতিয়া তোমাৰ ওপৰতে বাধ্যত পৰিয়েই প্ৰয়োগ কৰিম, লক্ষ্মণ! এই মহাস্ত্ৰই তোমাৰ প্ৰাণ নিশ্চয় সংহাৰ কৰিব।" এই কথা কৈয়েই মহাপ্ৰতাপী লংকেশ্বৰ ৰাৱণ মহাৰাজে লক্ষ্মণৰ প্ৰতি সেই মহাস্ত্ৰ মাৰি পঠালে আৰু লক্ষ্মণ মুহূৰ্ততে ধৰাশায়ী হৈ চেতনাহীন হৈ ৰণক্ষেত্ৰৰ ভূমিলৈ বাগৰি পৰিল।

ASSAMESE MAY '93 2A

ৰামচন্দ্ৰই এই ঘটনাৰ সময়ছোৱাত অন্য কৰ্মত লিপ্ত থকা বাবে কিঞ্চিত অন্যমনস্ক আছিল। এইবাৰ ঘটনাৰ ৰেখ কৰি তেওঁ হনুমান, সুগ্ৰীৱ আদিক ক'লে, "তোমালোকে লক্ষ্মণক ৰক্ষা কৰা। এতিয়া ৰাৱণ নামৰ পাপিষ্ঠক বধ কৰাৰ বাহিৰে মোৰ আৰু অন্য উপায় নাই।"

কিন্তু লক্ষ্মণৰ অৱস্থালৈ চাই ৰামচন্দ্ৰৰ যুদ্ধস্পৃহা লুপ্ত হওঁ হওঁ হ'ল। ৰামচন্দ্ৰৰ বিভ্ৰমাত্মক অৱস্থালৈ মন কৰি সুষেণে ৰামচন্দ্ৰক ক'লে, "আপুনি লক্ষ্মণৰ বাবে মুঠেই চিন্তা নকৰিব। লক্ষ্মণ অচেতন, কিন্তু জীৱিত। লক্ষ্মণৰ প্ৰাণ-সংশয় হোৱাৰ হেতু নাই।" তাৰ পাছত সুষেণে হনুমানক ক'লে, "তুমি ইয়াৰ আগতে যি পৰ্বত-শিখৰৰপৰা বিশল্যকৰণী লৈ আহিছিলা, সেই পৰ্বতশিখৰৰ দক্ষিণদিশত থকা অন্য এটা শিখৰৰপৰা বনৌষধি লৈ আহাগৈ। সেই ঔষধি লৈ আহিলেহে লক্ষ্মণক পূৰ্বাৱস্থালৈ ঘূৰাই অনা যাব।"

হনুমান তৎক্ষণাৎ সেই পৰ্বতলৈ গ'ল। কিন্তু কি ঔষধি যে লৈ যাব লাগিব— বহু ৰংৰ আৰু বৰণৰ বনৌষধি সেই শিখৰত থকাত হনুমান বিভ্ৰান্ত হৈ পৰিল। তেতিয়া হনুমানে দক্ষিণদিশস্থ সেই পৰ্বত শিখৰটোকে দাঙি লৈ আহিল।

হনুমানৰ বুদ্ধি আৰু পৰাক্ৰম দেখি সুষেণ তথা ৰামচন্দ্ৰও বিমোহিত হ'ল। সুষেণে সেই শিখৰস্থিত বিশেষ বনৌষধি উলিয়াই লৈ, প্ৰয়োগ কৰি, লক্ষ্মণক তৎমুহূৰ্ততে সুস্থ কৰি তুলিলে।

ৰামচন্দ্ৰৰ চকুৰপৰা আনন্দাশ্ৰু বাগৰি আহিল। তেওঁ অনুজ লক্ষ্মণক আঁকোৱালি লৈ ক'লে, "তোমাৰ সঁচাসঁচিকৈ মৃত্যু হোৱাহেঁতেন মই আৰু সীতাউদ্ধাৰ কৰি কি কৰিলোহেঁতেন? তেতিয়া আৰু এই যুদ্ধৰ কোনো প্ৰয়োজনেই নহ'লহেঁতেন। তুমি যে জীৱ ঘূৰাই পালা, মোৰেই ভাগ্য।"

লক্ষ্মণে ক'লে, "হে জ্যেষ্ঠভ্ৰাতা!

আপুনি ইমান দুৰ্বল তথা, ইমান কোমল অন্তঃকৰণৰ নহ'ৰ। ৰাৱণক বধি বিভীষণক স্বৰ্ণলংকাৰ সেই সিংহাসনত অধিষ্ঠিত কৰিব বুলি আপুনি কথা দিছিল বিভীষণক। মোৰ চিন্তা পৰিহাৰ কৰি সেই দুষ্টমতি ৰাৱণৰ সংহাৰ কৰালৈ মন মেলক। আপোনাৰ বচন আপুনি পালন কৰক। ৰাৱণক সূৰ্য্যাস্তৰ আগতেই সংহাৰ কৰিব পাৰিলেহে ভাল হ'ব বুলি ভাবোঁ।"

লক্ষ্মণৰ কথা শুনি শ্ৰীৰামচন্দ্ৰই তেওঁৰ ধনুৰ্বাণ দাঙি ল'লে আৰু ৰাৱণলৈ পুনৰ বাণবৃষ্টি কৰিবলৈ ধৰিলে। তেতিয়া ৰাৱণ মহাৰাজ ৰথৰ ওপৰত বহি যুদ্ধ কৰি আছিল, কিন্তু ৰামচন্দ্ৰই ভূমিৰ ওপৰত দণ্ডায়মান হৈ যুদ্ধ কৰি আছিল।

ৰামচন্দ্ৰৰ এই অসুবিধা দূৰ কৰিবলৈ দেৱৰাজ ইন্দ্ৰই তেওঁৰ সাৰথি মাতলীক ৰথৰে সৈতে মৰ্ত্যভূমিলৈ তথা ৰামচন্দ্ৰৰ ওচৰলৈ প্ৰেৰণ কৰিলে। সেই ৰথত বজ্ৰ আৰু অন্যান্য বিশেোবিধ অব্যৰ্থ অস্ত্ৰ-শস্ত্ৰও প্ৰচুৰ সংখ্যক বোজাই কৰা আছিল।

ইন্দ্ৰৰ ৰথৰ সাৰথি মাতলীয়ে শ্ৰীৰামচন্দ্ৰক কলেঃ

"হে ৰামচন্দ্ৰ! আপোনাৰ বিজয়-কামনা কৰি ভগৱান ইন্দ্ৰই এই কথা আপোনাৰ সহায়তাৰ বাবে প্ৰেৰণ কৰিলে। লগতে—ইন্দ্ৰধনুষ, কৱচকুণ্ডল, বিধোবিধ বাণ আৰু আন কিছুমান ভয়ানক অস্ত্ৰ-শস্ত্ৰও ৰথত আছে। এই ৰথোপৰি আৰূঢ় হৈয়েই ইন্দ্ৰদেৱতাই দানৱ-সংহাৰ কৰিছিল আৰু এই ৰথ তেতিয়া মৱেই চালনা কৰিছিলোঁ। এতিয়া আপুনি এই ৰথোপৰি আৰূঢ় হওক আৰু ৰাৱণক সংহাৰ কৰক।"

মাতলীৰ কথাখিনি শুনাৰ অন্তত ৰামচন্দ্ৰই ইন্দ্ৰৰ সেই ৰথক প্ৰদক্ষিণ কৰিলে আৰু তাৰ পাছত ৰথৰ ওপৰত উঠি থিয় দিলে। তাৰ পাছত লাগি পৰিল ৰাৱণৰ সৈতে নাই তই নাই মই ৰণ!



আল্লাহৰ ছৱাল

প্ৰাচীন দিনত বাগদাদৰ অন্যতম ছুলতান আছিল নূৰখাহ। নূৰখাহ আছিল এক একাচেকা বিচিত্ৰ মেজাজৰ ছুলতান। এবাৰ বাগদাদৰ এজন অমীৰ (ধনী) সদাগৰ—ৰহমতুল্লাৰ ইন্তেকাল হ'ল (মৃত্যু হ'ল)। ৰহমতুল্লা আছিল অকলশৰীয়া মানুহ। তেওঁৰ কোনো ওৱাৰিছ নথকাত ৰহমতুল্লাৰ সা-সম্পত্তি ধন-সোণ সকলো ছুলতানৰ ধন-ভঁৰালৰ সম্পদ হ'ল।

বাগদাদতে অবদাল্লা নামৰ এক দুখীয়া যুৱক আছিল। এই যুৱক ধনৰ দুখীয়া, কিন্তু বুদ্ধিৰ দুখীয়া নাছিল। ৰহমতুল্লাৰ সা-সম্পদ ছুলতানৰপৰা হস্তগত কৰিবলৈ অবদাল্লাই এক অভিনৱ উপায় চিন্তিলে আৰু তেতিয়া সি ছুলতানৰ দৰবাৰলৈ গ'ল।

অবদাল্লাই ছুলতানক কুর্নিছ (ছালাম) কৰি ক'লে, "জহাঁপনাহ্! গুস্তাকী (অপৰাধ) মাফ কৰিব। মোৰ বক্তব্য হ'ল যে—আমাৰ নগৰৰ বিহিস্তি (স্বৰ্গী) বেপাৰী তথা সদাগৰ জনাব ৰহমতুল্লাৰ অকলশৰীয়া অৱস্থাতে ইন্তেকাল হ'ল। তেৰোঁ আছিল অকলশৰীয়া, ময়ো অকলশৰীয়া। যাৰ কোনো-কেও নাই, সি হয়—'আল্লাহ-তাল্লাহৰ ছৱাল'। এই হিচাপে—জনাব ৰহমতুল্লা আছিল মোৰেই বড়া ভাই। আৰু—বড়া ভাই হিচাপে—তেওঁৰ সা-সম্পত্তিও মোৰেই প্ৰাপ্য। কিয়নো—মই তেওঁৰ যোগ্য ওৱাৰিছ।"

"হয়, তুমি ঠিক কথাকে কৈছা। তোমাৰ ককায়েৰাৰ সম্পত্তি তুমি পোৱা উচিত।" ছুলতানে তেওঁৰ খাজাঞ্চীক (ধন-ভঁৰালী) এটা দীনাৰ (মুদ্ৰা) আবদাল্লাক দিবলৈ ক'লে।

"বছ—? এটা মাত্ৰ দিনাৰ?" আবদাল্লাই কৈ উঠিল।

"ওঁ। কিয়নো—দেশত ৰহমতুল্লাৰ ভায়েক তথা আল্লাহ-তাল্লাহৰ হাজাৰ-বিজাৰ ছৱাল।"

সিয়ান আবদাল্লাই ছুলতানৰপৰা গিয়ান লৈ গুচি গ'ল সেই এটা দীনাৰকে লৈ।

সেই দিনাই আবদাল্লাৰ অভিনৱ যুক্তিৰ শলাগ লৈ বিচিত্ৰ মেজাজৰ ছুলতানে আবদাল্লালৈ এমোনা দীনাৰ আৰু লগতে অন্যান্য উপহাৰো পঠিয়াইছিল। —লোকেশ্বৰী

সহনি-গুণৰ দাম

মধুপুৰৰ জংগলত এজন খৰিকটীয়া আছিল। ই খৰিকটীয়াই জংগলতে জুপুৰি সাজি পা-পৰিয়ালে বাস কৰিছিল। এই খৰিকটীয়া খগেশ্বৰৰ আছিল দুজনী ছোৱালী—চম্পা আৰু চুন্নী। চম্পাৰ এবছৰীয়াতে তাইৰ মাক মৰিল, আৰু তেতিয়া খগেশ্বৰ খৰিকটীয়াই পুনৰ এজনীক বিয়া কৰালে। এইজনীৰ নাম দুৰ্গা। চুন্নী দুৰ্গাৰ ছোৱালী।

দুৰ্গা মানুহজনী আছিল নিমৰমিয়াল। সতিয়ে মাক এজনীয়ে যিমান দুখ-কষ্ট দিব পাৰে—চম্পাজনীক সকলোপ্ৰকাৰেই সেইখিনি দুখ-কষ্ট দুৰ্গাই দিছিল।

এনিশা—পূৰ্ণিমাৰ জোনাক নিশা হঠাৎ চম্পাজনীয়ে টোপনিৰপৰা সাৰ পাই গ'ল আৰু তেতিয়া তাই তাইৰ মাক-দেউতাকৰ মাজত হৈ থকা কথাখিনি শুনিলে। চম্পাৰ দেউতাকে কৈ আছিল: "চম্পাজনী ডাঙৰ হ'লেই. তাইৰ বিয়াখন এই বছৰতে পাতিব লাগে, নহ'লেও অহা বছৰত কিবা এটা কৰিবই লাগিব।"

এই কথাৰ উত্তৰত সতিয়ে মাক দুৰ্গাই জিকজিকাই উঠিল, "কথা—ভাবি-গুণি ক'বা। তুমি বলিয়া হ'লানে কি? চম্পাজনীক যদি উলিয়াই দিয়া, ঘৰৰ কাম-বনখিনি কোনে কৰিব? তাতকৈ চুন্নীৰ বিয়াৰ কথাকে ভাবা।"

শুনিয়েই চম্পাৰ চকুপানী ওলাল। তেনেহ'লে—তাই দেখোন এইখন ঘৰতে সতিয়ে মাকৰ ভৰিৰ তলুৱাৰ তলতে জীৱন কটাব লাগিব। তাতকৈ তাইক—সতিয়ে মাকে খোৱাতকৈ—বাঘে খাওক ঘোঙে খাওক—সি-ও ভাল। মনৰ দুখত চম্পাজনী

কামেশ্বৰী শৰ্মা

তেতিয়াই—পূৰ্ণিমাৰ সেই মাজ নিশাৰ পৰতে জংগলৰ ভিতৰলৈ সোমাই গ'ল।

তাত তাই দ' কুঁৰা এটা দেখা পালে, আৰু সেই কুঁৰাৰ ভিতৰলৈ জঁপিয়াই পৰি আত্মহত্যা কৰিবলৈ লোৱা মাত্ৰেই কুঁৰাৰ ওচৰত থকা গছ এজোপাৰপৰা ভূতুনী এজনীয়ে জঁাপ দি তললৈ পৰি তাইক বাধা দি ক'লে, "কি কৰা, কি কৰা! ৰ'বা।"

তাই ভূতুনীটোক ক'লে, "কিয়? কিয় তুমি মোক মৰিবলৈ বাধা দিছা?"

ভূতুনীয়ে চম্পাৰ কথাত খং নকৰিলে! তাই ভূতুনীয়ে সকলো কথা সুধি তাইৰপৰা তাইৰ দুখ-কষ্টৰ কথাবোৰ জানি ল'লে আৰু তাৰ পাছত ক'লে, "সতিয়ৈ মাকৰ এক সামান্য কথাতে কিয়নো তুমি আত্মহত্যা কৰিব লাগে? সকলো ঠিক হৈ যাব। অল'মান ৰ'বাচো—" এই বুলি কৈয়েই ভূতুনীজনী সেই কুঁৰাৰ ভিতৰলৈ জঁপিয়াই পৰিল আৰু তৎক্ষণাৎ মোনা এটাৰে সৈতে পুনৰ ওলাই আহিল।

ভূতুনীয়ে ক'লে, "এই মোনাটোক লৈ যোৱা। তোমাৰ সতিয়ৈ মাৰাই তোমাক এদিনতে যিমান গালি পাৰিব এই যাদু-মোনাৰ ভিতৰত সিমানেই এটাকৈ সোণৰ মুদ্ৰা পাই থাকিবা। পিছে—মনত ৰাখিবা এই যাদু-মোনাৰ কাৰ্য্যকাৰিতা কেৱল এদিনৰ বাবেহে।"

পাছদিনা — মাক দুৰ্গাই তাইক পুৱাৰেপৰাই গালি পাৰি থাকিল— তেতিয়ালৈকো বিছনা এৰি নুঠাৰ কাৰণে। তাইক তেতিয়াই গাই খীৰাবলৈ হুকুম দিলে দুৰ্গাই। চম্পাজনী তৎক্ষণাৎ গোহালিলৈ দৌৰি গ'ল আৰু তাত লুকাই থৈ দিয়া সেই যাদু-মোনাটো খেৰৰ দ'মৰপৰা উলিয়াই আনিলে।

মোনাটোত ইতিমধ্যেই ভালেমান সোণৰ মোহৰ জমা হৈছিল। তাইৰ চকুৰ আগত আৰু দুই-চাৰিটা সোণৰ মুদ্ৰা মোনাত পৰিলহি। তাৰ মানে দুৰ্গাই

তেতিয়াও গালি পাৰিয়েই আছিল।

তাৰ পাছত—দিনৰ শেষত মোনাটোত যেতিয়া দুশ-আঢ়ৈশমান সোণৰ মোহৰ জমা হ'ল—তেতিয়া চম্পাই সেই সোণৰ মোহৰখিনি তাইৰ দেউতাকক দিলে আৰু পূৰ্ণিমাৰ জোনাক-ভূতুনীৰ কথাখিনি ভাঙি-পাতি ক'লে।

চম্পাৰ এই কথাখিনি মাক দুৰ্গাই আঁৰত থাকি কাণ সৰালি মাৰি শুনিছিল। তাই ক'লেহি, "মোৰ গালিৰে পোৱা সোণৰ মোহৰখিনি মোৰেই। এইখিনিৰে মই ধুমেধামে চুন্নীৰ বিয়াখন পাতিম।"

কিন্তু দুৰ্গাৰ কথাত গিৰিয়েক খগেশ্বৰ মান্তি নহ'ল। খগেশ্বৰে চম্পাজনীৰ কাৰণে দৰা বিচৰাত লাগিল।

পূৰ্ণিমাৰ নিশা আকৌ আহিল। এইবাৰ দুৰ্গাই তাইৰ নিজৰ ছোৱালী চুন্নীক শিকাই-বুজাই জোনাক-ভূতুনীৰ ওচৰলৈ পঠালে।

চম্পাই যেনেকৈ যি কৰিছিল, চুন্নীয়েও তাকেই কৰিলে। আৰু একেদৰেই জোনাক-ভূতুনীয়ে তাইক আত্মঘাতিনী হোৱালৈ বাধা দিলে, কুঁৰাটোৰ ভিতৰৰ-পৰা এটা যাদু-মোনাও আনি দিলে আৰু এই যাদু-মোনাৰ কাৰ্য্যকাৰিতা যে মাত্ৰ এদিনৰ কাৰণেহে থাকিব সেই কথাটোও তাইক বুজাই কৈ দিলে।

ঠিক তেতিয়াই আৰু এঠাইত এই দেশৰ বুঢ়া ৰজাই তেওঁৰ পুত্ৰক কৈ আছিল, "তুমি বিয়া কৰাবানে নাই—কথাটো মোক পৰিষ্কাৰভাৱে কৈ দিয়া। তোমাক মই ইমান দিনৰপৰা কৈ আছোঁ—ইমানবোৰ ৰাজকুঁৱৰীৰ চিত্ৰ দেখুৱাইছোঁ—তথাপিনো কিয় তুমি নিৰুত্তৰ?"

"বিয়া নকৰাওঁ বুলি মই কোৱা নাই। কিন্তু যিসকল ৰাজকুঁৱৰীৰ চিত্ৰ মই দেখিলোঁ—এজনীকো মোৰ ভাল লগা নাই। এই সকল ৰাজকুঁৱৰীতকৈ সৌ হাবিয়লীয়া খগেশ্বৰৰ ছোৱালী দুজনীও

দেখাই-মেলাই ভাল।" ৰাজপুত্ৰই ক'লে।

তেতিয়াহে বুঢ়া ৰজাই 'উৰহীৰ ওৰ বিচাৰি পালে। যুৱৰাজ বিজয়ে যে সদায় সেই জংগললৈকে কিয় চিকাৰলৈ ওলাই-ছিল, এইবাৰ তাৰ ৰহস্য বুজি পোৱা হ'ল তেওঁ। বুঢ়া ৰজাই এইবাৰ বিজয়ক ক'লে, "ঠিক আছে। বিয়া কৰাবা তুমি, মইনো মাত মাতোঁতা কোন? সেই ছুজনীৰ মাজত এজনীক পছন কৰা তেন্তে।"

পাছদিনা বুঢ়া ৰজা আৰু যুৱৰাজ—ছুয়ো ছদ্মবেশত জংগললৈ বুলি ওলাল। গৈ গৈ খৰিকটীয়া খগেশ্বৰৰ জুপুৰি পালেগৈ।

চম্পাই তেওঁলোকক আথেবেথে বহুৱালে আৰু ক'লে, "আপোনালোকে নিশ্চয় দেউতাক বিচাৰি আহিছে, কিন্তু তেওঁ কামলৈ ওলাই গ'ল, সেই আবেলি পৰতহে উলটিব। আপোনালোকে—মা-ক কিবা ক'বনে কি? তেওঁ ঘৰতে আছে।"

ঘৰতে আছে যে — ৰজা আৰু যুৱৰাজেও বুজি পাইছিলেই। কিয়নো—মাক ছুৰ্গাই তেতিয়া সোণৰ মোহৰৰ লোভত পৰি চুন্নীক গালি-শপনিৰে তেভূত কৰি আছিল। কিয়নো—যিমান গালি সিমানেই সোণ।

চম্পাজনীয়ে ঘৰৰ ভিতৰলৈ গৈ ছুৰ্গাক ক'লে যে ক'ৰবাৰপৰা ছুজন অচিনাকি মানুহ আহিছে। শুনি ছুৰ্গাই খেচখেচাই "তেওঁলোকক এ-ত্তিয়াই ইয়াৰপৰা গুচি উঠি ক'লে, "আজি মই—আনকি দেশৰ ৰজা ইয়ালৈ আহিলেও দেখা কৰিব নোৱাৰিম, কথা পাতিব নোৱাৰিম।"

চম্পাজনীয়ে বুঢ়া ৰজাক ক'লেহি, "আমাৰ মা আজি অতি ব্যস্ত হৈ আছে, তেওঁ আপোনালোকৰ লগত অজি কথা পাতিব নোৱাৰিব বুলি কৈছে।"

ৰাজধানীলৈ উভতি যাওঁতে বুঢ়া ৰজাই যুৱৰাজ বিজয়ক ক'লে, "এতিয়া আমি যিজনীক চাই আহিলোঁ -- সেইজনী প্ৰকৃতপক্ষেই ভাল ছোৱালীজনী। কিন্তু—

আনজনীকো তুমি নিশ্চয় চাবা।"

বিজয়ে কৈ উঠিল, "কোনো আৱশ্যক ন'হব, দেউতা। বিজনীক নিজৰ মাকেই গুৱালগালিবে তেভূত কৰে, সেইজনীক চাই আৰুনো কি হ'ব ?"

পাছদিনাই খৰিকটীয়া খগেশ্বৰক তাৰ পৰিয়াল-পৰিজনৰে সৈতে ৰাজধানীলৈ লৈ যোৱা হ'ল। ৰাজপ্ৰসাদ পায়েই দুৰ্গাই চম্পাজনীৰ হাতত ধৰি ক্ষমা প্ৰাৰ্থনাৰ ভংগীৰে ক'লে, "চম্পা, ইমান দিন ধৰি যি হৈছে, যি কৰিছোঁ, পাহৰি যাবা, আই। তোমাক মই কিমান যে দুখ-কষ্ট দিছিলোঁ মোৰ ঈৰ্ষাৰ পৰিণাম ফল মই পালোঁ, আৰু তুমি তোমাৰ সুহনি গুণৰ কাৰণেই আজি ৰাজৰাণী হ'লা। জোনাক-ভুতুনীৰ কৃপাত এতিয়া আমাৰ হাতত ঢেৰ সোণৰ মোহৰ জমা হ'ল। চুন্নীৰ বিয়াখন কোনো খৰিকটীয়াৰ সৈতে আৰু নাপাতি — কোনোবা এজন দোকানী-বেপাৰীৰ সৈতে পাতিব পাৰিম হয়তো।"

চম্পাই ক'লে, "কিনো কৈছা, মা ? চুন্নীজনীৰ কাৰণে ভালৰো ভাল দৰা বিচাৰি উলিয়াই তাইক ঘৰ পাতি দিয়াৰ দায়িত্ব এতিয়া মোৰ।"

যুৱৰাজ বিজয়ে কৈ উঠিল, "কিনো কৈছা, চম্পা ? মই হ'লোঁ এইখন দেশৰ ভৱিষ্যৎ ৰজা। মোৰেই খুলশালীজনীৰ বিয়া — ক'ৰবাৰ কোনোবাৰ লগত হ'বনে ? মোৰো মান-সন্মান বোলা কথা আছে। গতিকে — চুন্নীৰ বিয়াখনো কোনোবা ৰাজকুমাৰৰ সৈতেই পতা হ'ব।" তাৰ পাছত যুৱৰাজে দুৰ্গালৈ চাই ক'লে, "আপুনি নিঃচিন্ত হৈ থাকক। চুন্নীৰ বিয়াৰ দায়িত্ব আমি ল'লোঁ।"

দুৰ্গাৰ মুখ-চকুত বিহু বিহু ভাব উজলি উঠিল আৰু কাষতেই নিমাতে থিয় হৈ থকা চুন্নীজনীৰ মুখ ফুলৰ দৰে ফুলি উঠিল।

চান্দমামাৰ সম্বাদ

কোলম্বাছ নহয়—ফা-হিয়ান

৫০০ বছৰৰ আগতে ইতালীয় নাবিক খ্রিস্ট'ফাৰ কোলম্বাছে যে আমেৰিকা আৱিষ্কাৰ কৰিছিল, বিশ্বৰ সকলোৰে জনা কথা। যোৱা ১২ ডিচেম্বাৰৰ দিনা কোলম্বাছে আমেৰিকা আৱিষ্কাৰৰ কথাত ধুমধামেৰে ৫০০ বছৰীয়া উছৱো পতা হৈছিল। কিন্তু চীনদেশৰ এক প্ৰখ্যাত ইতিহাসবিদ লিয়ান গুন্‌খানৰ মতে: কোলম্বাছৰ আমেৰিকা-গমনৰ এহেজাৰ বছৰৰ আগতেই বৌদ্ধ সন্যাসী ফা-হিয়ানে (৩৩৬—৪২২) 'এপোটি' ৰাজ্য পাইছিলগৈ। এই 'এপোটি' ৰাজ্য আছিল আছিল আন্দিৰ লজ্ এন্‌জেলজৰ ওচৰত। চতুৰ্থ শতিকাত ভাৰতলৈ অহা ফা-হিয়ানেই হ'ল এইগৰাকী ফা-হিয়ান। প্ৰায় ১৫০০ বছৰৰ আগতে ফা-হিয়ানৰ লিখিত আত্মকথাৰ ভিত্তিত ঐতিহাসিক গুন্‌খানে এই মত প্ৰকাশ কৰিছে।

ক্যালেণ্ডাৰ-ছৱাল

এই বছৰৰ গণতন্ত্ৰ দিৱস কোন বাৰত পৰিল? মঙলবাৰ। জ্যানুৱাৰিৰ পহিলা তাৰিখ কি বাৰ? শুক্ৰবাৰ। বাৰু, ১৯৯০ চনৰ এপ্ৰিলৰ ১৪ তাৰিখ কি বাৰ আছিল? তেতিয়া আমি পুৰণা ক্যালেণ্ডাৰৰ পাত লুটিয়াই চাব লাগিব। নহয়নে? কিন্তু কোনো ক্যালেণ্ডাৰ সহায় নোলোৱাকৈয়েই এইবোৰ মুহূৰ্ততে পটাপট্ কৈ দিব তামিলনাডুৰ ইৰোদ নামৰ ঠাইৰ পাঁচ বছৰীয়া ল'ৰা অবিনাশ নটৰাজনে। কোন চনৰ কোন দিন কি বাৰ—সেইবোৰ কথা মুহূৰ্তৰ কাৰণেও অবিনাশে ভাবি চাব নালাগে। সেই কাৰণেই এই শিশু মেধাবীটিক 'CALENDER BOY' বা ক্যালেণ্ডাৰ ছৱাল হিচাপে আখ্যা দিয়া হৈছে!

সংগীবিহীন দক্ষিণমেৰুলৈ…

১৯৯০ চনত নৰওৱেৰ এৰ্লিং কাগ্ নাম ২৯ বছৰীয়া যুৱক এজনে তাৰ বন্ধু এজনৰ লগ লাগি উত্তৰ মেৰুলৈ গৈছিল। আৰু এই বাঘ-বুকুৱা যুৱকে এই বছৰৰ জ্যানুৱাৰিৰ প্ৰথম সপ্তাহতে ৫০ দিনতে দক্ষিণমেৰুলৈ যাবলৈ সংগীবিহীন ভাবে যাত্ৰা কৰি দক্ষিণ-মেৰু পাইছেগৈ। এওঁ বৰফৰ ওপৰেদি টানি নিয়া শ্লেজ গাড়ীত ১২০ কে. জি. ওজনৰ বিভিন্ন লাগতিয়াল জৰুৰী বস্তু-বাহানি টানি টানি দিনে ২৬ কি. মি. কৈ গৈ গৈ ১,৩১০ কি. মি.ৰ যাত্ৰা সমাপ্ত কৰি নিৰ্ধাৰিত দিনতকৈ দহ দিনৰ আগতেই দক্ষিণমেৰু পাইছিলগৈ!

আপুনি আচৰি ধৰ্ম

কোনোবা গাঁৱত এজন ভেড়া-পালক মানুহ আছিল। মানুহজন আছিল একেবাৰে হোলাৰ ভাই মোলাৰিধৰ, আৰু আগ চালে পিছ চাওঁতা নোহোৱা।

এদিন এই ভেড়া-পালক হৰিৰাম হাটলৈ ওলাবলগা হ'ল। কিন্তু যায় কেনকৈ হাটলৈ? তাৰ ভেড়াবোৰৰ চোৱা-মেলা কৰিব কোনে? কিন্তু হাটলৈ যাবও সি লাগিবই। গতিকে — সিতাৰ ভেড়াবিলাকৰ চোৱা-মেলাৰ ভাৰ ভগৱানকে জাপি দি হাটলৈ বুলি খোজ ল'লে।

হৰিৰাম হাটৰপৰা ঘুৰি ঘৰ পায়েই বিপদৰ গোন্ধ পালে। গন্তি কৰি চালে —বিছটা ভেড়া নাই। ভাবি ভাবি ভাবিলে সি: ভগৱান বৰ নিৰ্ভৰযোগ্য নহয়। কিবা আন উপায় ল'ব লাগিব।

পাছত হৰিৰামে এজনৰ পৰামৰ্শত দুটা কুকুৰ কিনিলে ভেড়াৰ পৰীয়া হিচাপে। কুকুৰ বেচোঁতাই হৰিৰামক ক'লে যে—ইহঁত দুটাক মাত্ৰ এটা এটাকৈ এন্দুৰ খাবলৈদিলেই হৈ যাব। এই কথা কৈ কুকুৰ-বেচোঁতাই হৰিৰামক শকত দামত কুকুৰ দুটা বেচি গুচি গ'ল। আৰু হৰিৰামেও তাৰ কথা মতে কুকুৰ দুটাক মাত্ৰ এটাকৈ এন্দুৰ খাবলৈ দিয়া হ'ল।

কিন্তু দুটাকৈ কুকুৰ থকা সত্বেও প্ৰতি নিশায়েই এটাকৈ ভেড়া নোহোৱা হৈ থাকিল। সেই ঠাইত আছিল কিছুমান কুকুৰনেচীয়া। দুটা কুকুৰনেচীয়া প্ৰতি নিশা তালৈ আহিছিল আৰু এটাকৈ নোদোকা চাই ভেড়া মাৰি খাইছিল। কুকুৰনেচীয়া দুটাই পৰীয়া কুকুৰ দুটাকো

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

কিঞ্চিতমান মাংস দিয়া বাবে ভুকীয়া কুকুৰ দুটাই এটা ভুকনিও ভুলতো নামাৰিছিল। কিয়নো—সিহঁতক সিহঁতৰ মালিকে পেট পূৰাই খাবলৈ নিদিয়ে, কিন্তু কুকুৰনেচীয়া দুটাই এৰেহা দিয়া হ'লেও—দিয়ে। কিয়নো ভুকিব ?

প্ৰতি নিশা এটাকৈ ভেড়া নোহোৱা হোৱাৰ কথাত নিৰুপায় হৰিৰাম পৰিল মহা চিন্তাত। এতিয়া উপায় ? কিন্তু বহু ভাবিও কোনো উপায় নাপাই হৰিৰামে কান্দিবলৈ ধৰিলে।

ঠিক তেতিয়াই সেই পোনে বুঢ়া মানুহ এজন গৈ আছিল। বুঢ়া মানুহজনে হৰিৰামক সুধিলে, "কিহে হৰিৰাম ? তুমিনো ইদৰে কান্দিছা কেলেইহে ?"

হৰিৰামে চকুৰ পানী মচি মচি ক'লে, "মোৰ ভাইগ্যইহে মোক কন্দুৱাইছে! ভগমানক ভাৰসা কৰিলোঁ—বিছটা ভেড়া চুৰি হৈ গ'ল। লোকৰ পৰামৰ্শত কুকুব কিনি পৰ দিয়ালোঁ—তথাপি নিতৌ এটাকৈ ভেড়া নোহোৱা হৈছে, কুকুৰ-নেচীয়াই খাইছে। কুকুৰ দুটাই আনকি এটা ভুকনিও মৰা নাই। মইনো আৰু নাকান্দি কৰিম কি ?"

বুঢ়া মানুহজনে ভুৰু কোঁচাই অলপ পৰলৈ ভাবিলে আৰু তাৰ পাছত হৰিৰামক সুধিলে, "তুমিনো তোমাৰ কুকুৰ দুটাক কি কি খাবলৈ দিয়া ?"

"কুকুৰ দুটাক এটাকৈ এন্দুৰ খাবলৈ দিওঁ। কুকুৰ-বেচেঁতাই মোক যেনেকৈ কৈ গৈছিল, ঠিক তেনেকৈ খাবলৈ দিছোঁ। ইহঁত দুটাক। কিন্তু ইহঁত দুটা আচলতে কুকুৰেইনে মেকুৰী—তাকেহে ঠাৱৰ কৰিব পৰা নাই মই।" হৰিৰামে কৰিলে।

"অ'—এয়েহে কথা! শুনা হৰিৰাম, কথাতে বোলে—আপুনি আচৰি ধৰ্ম আনক শিকাবা। মোৰ কথা শুনা, কাম এটা কৰা। কুকুৰ দুটাক পেট পূৰাই খাবলৈ দিবা, তেতিয়া আৰু কুকুৰ-নেচীয়াইঁত তোমাৰ গৰালৰ কাষকে নাচাপিব চাবা। তুমি যদি তোমাৰ কৰ্তব্য ঠিকমতে কৰা, কুকুৰৰ কৰ্তব্যও কুকুৰে কৰিব।" বুঢ়া মানুহজনে ক'লে।

বুঢ়া মানুহজন গুচি যোৱাৰ পাছত হৰিৰামে ভেড়া এটা সঁচাসঁচিকৈ মাৰি কুকুৰ দুটাক খাবলৈ দিলে আৰু কুকুৰ দুটাই মহা আনন্দৰে সেই মাংস খাই হৰিৰামৰ ভৰি চেলেকি চেলেকি পেট পূৰাই খাবলৈ দিয়াৰ বাবে সিহঁতৰ কৃতজ্ঞতা প্ৰকাশ কৰিলে।

ৰাতিৰ পৰতে যথানিয়মে কুকুৰনেচীয়া দুটা আহিল। তেতিয়া কুকুৰ দুটাই জোৰেৰে ভুকি থাকিল।

এটা কুকুৰে কুকুৰনেচীয়া দুটাক ক'লে, "যোৱা—যোৱা। ইয়াৰপৰা শীঘ্ৰে গুচি যোৱা। আমাৰ মালিকে আমাক তেওঁৰ সাধ্যমতে পেট পূৰাই খাবলৈ দিছে. আমিও আমাৰ সাধ্যমতে ভেড়াবোৰক পৰ দিম। তোমালোকৰ এনেহা খাবলৈ আমাৰ আৰু দৰ্কাৰ নাই।"

শুনি কুকুৰনেচীয়া দুটাই সেই যে নেগুৰ মোকোটাই নেগুৰ-ছিগা লৰ দি পলাল—আৰু কোনো দিনেই সিহঁত দুটা ভুলতো এইমুৱা নহ'ল।

সেই ঘটনাৰ পাছৰপৰা — এইদৰে হৰিৰামৰ ভেড়াৰ জাকও ৰক্ষা পৰিল।



বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য

বাঘৰ বিলৈ...

দুই দশকৰ আগতে আমাৰ কেন্দ্ৰীয় চৰকাৰে 'ব্যাঘ্ৰ-সংৰক্ষণ' নীতি গ্ৰহণ কৰাত দেশৰ ১৭খন অভয়াৰণ্যত থকা বাঘৰ সংখ্যা ১৮০০ৰ পৰা বাঢ়ি ৪৩০০ পাইছেগৈ। কিন্তু তথাপি চোৰাং চিকাৰীবিলাকৰ হাতৰপৰা বাঘবিলাকে নিস্তাৰ পোৱা নাই। কেৱল আমাৰ দেশতে নহয়— নেপাল, ভুটান আৰু বাংলাদেশতো এই চোৰাং বাঘ-চিকাৰ চলি আছে। পৃথিৱীৰ সৰ্বমুঠ সাত-আঠ হাজাৰ বাঘৰ ৬০ ভাগ আমাৰ এই অঞ্চলতে—অৰ্থাৎ ভাৰত, বাংলাদেশ, নেপাল, ভুটানতে আছে। যোৱা ডিচেম্বৰত দিল্লীত অনুষ্ঠিত পৰিবেশ-বিশেষজ্ঞসকলৰ সন্মিলনত কোৱা হৈছে যে—বাঘৰ প্ৰকৃত সুৰক্ষাৰ ব্যৱস্থা যদি নহয়, ২০২০ চনত বাঘ কেৱল চিৰিয়াখানাতে দ্ৰষ্টব্য হৈ থাকিব।

বিলুপ্তিৰ বৰ্ণনা...

কেৱল বাঘেই নহয়, ১৫০ পঞ্চাছবিধৰ অন্যান্য জন্তু পশু-পক্ষী কীট-পতংগাদিও বিলুপ্তিৰ পথত। বিজ্ঞানীসকলে কৈছে যে—বিশেষকৈ বাঘ, সিংহ, হাতী, বনৰীয়া গাধ, ঘোঁৰা, ব্যাঘ্ৰলাঙ্গুল বান্দৰ, সিন্ধুঘোটক আদি বিলুপ্তিৰ পথত। এইবোৰ জীৱ-জন্তুও আমাৰেই, আমাৰ এই দেশতে আমাৰ লগতেই ক'বলৈ গ'লে একেইখন পৰিয়ালতে বসবাস কৰে। আমি যদি সিহঁতৰ অস্তিত্বলৈ যত্নৱান নহওঁ, আমাৰ প্ৰকৃত সুহৃদ এইসকল প্ৰাণীৰ বদান্যতাৰপৰা আমিয়েই বঞ্চিত হ'ম।

সাঁচে-কাটে সঁচা!

এসময়ত সমগ্ৰ পৃথিৱীব্যাপী ৰাজত্ব কৰিছিল ডাইন'ছোৰাছ নামৰ জেঠী জাতীয় এবিধ বিশালদেহী প্ৰাণী। কিন্তু ইহঁত এদিন অকস্মাৎ পৃথিৱীৰ বুকৰপৰা নিঃশেষে নোহোৱা হৈ পৰিল। আগৰ দিনৰ কিছুমান বিজ্ঞানীৰ মতে—এনেকৈ সম্পূৰ্ণ বিনাশপ্ৰাপ্ত তথা বিলুপ্ত হোৱাৰ গুৰিত ৪০,০০,০০০ বছৰৰ আগতে হোৱা জীৱন্ত জ্বালামুখী পৰ্বতৰ অগ্নি উদ্গীৰণ আৰু তাৰপৰা ওলোৱা ভয়ংকৰ উত্তপ্ত লাভাৰ বিৰামবিহীন স্ৰোত। এইদৰেই হেনো একালৰ এই ভয়ানক প্ৰাণীকুলৰ চিৰতৰে বিনাশ হ'ল। মেক্সিকোত ১৭০ কি. মি. বহল বিশাল জ্বালামুখী পৰ্বত আন কোনোবা গ্ৰহৰ পৰা বিচ্যুত হৈ আহিছে। প্ৰায় ৬৯ ০০০ ০০০ বছৰৰ আগতে বিচ্যুত



হৈ অহা এই বিশাল পৰ্বত তথা গ্ৰহখণ্ডই পৃথিৱীৰ ৭০ ভাগ জীৱ-জন্তুকে বিলুপ্ত কৰিছিল। কিন্তু এতিয়া প্ৰাকৃতিক দুৰ্বিপাকৰ স্থান মানুহে নিজেই গ্ৰহণ কৰি জীৱ-জন্তুইতক ধৰাধামৰপৰা বিলুপ্ত কৰা হৈছে—অতি দুখলগা কথা হ'লেও এই তিতাৰো তিতা কথাটি সাঁচে-কাটে সঁচা!

From Wobbit, Coo
We think you kids
'Cause it's thanks t
We celebrate Chand
ARTIG/1226



and all the rest
re the very best
YOU from today
mama's 3rd B'day
Thanks to all of you. From all of us here at Chandamamma. Thanks for having shared all those happy times with us. And we hope you have many more.
Thanks to all you Moms, Dads, Grandmoms and Grandads too. For giving us homes with such great friends. And all that warmth and affection.
Thanks to all our distributors and dealers. For all the help and support. Here's to even better times ahead !
This is just the beginning. Watch out for the surprises we have in store for you next year. Like the new range of Chandamama Soft Toys. And much more ! Because, at Chandamama, the party goes on all year through !
THE
CHANDAMAMA
COLLECTION

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৩ চনৰ জুলাই সংখ্যাত প্ৰকাশিত হ'ব ।



M. Natarajan

Devidas Kasbekar

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯৩ চনৰ মে' মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
- সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৩ চনৰ মাৰ্চ্চ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : মৰমৰ বন্ধন   দ্বিতীয় ফটো : মৈত্ৰীৰ আলাপন

পুৰস্কাৰ প্ৰাপক : শংকৰ শৰ্মা গাঁও : সানেকুছি, নলবাৰী ৭৮১ ৩৫০ অসম।

ভাৰতত বছৰেকীয়া বৰঙণি **চা ন্দ মা মা** ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are the exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী. গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্.
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে 252.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে 252.00

আপোনাৰ বৰঙণি বেংকল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :
ছাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

FREE!
BUNNY TEETH
INSIDE EVERY 100 GMS
POUCH OF COOKIES
মিঠাইৰ মাজত
নাৰিকল আছে
মুখত ললেই
মনটি নাচে
nutrine
COOKIES
লৰা-ছোৱালীয়ে গাই-নাচি মজা কৰে
কোকানাকা কুকীজ
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets
Visesh/NC/9090/Ass